


# অন্বেষণ

প্ৰথম বছৰ ■ অষ্টম সংখ্যা ■ ছেপ্টেম্বৰ, ২০১৪



■ ইব'লা ভাইৰাছ

■ ৰাজ্যিক বাজেট : ২০১৪



## বিশ্ব ইতিহাস : প্ৰথম মহাসমৰ

## কমনৱেলথ গেম্চ, গ্লাছগ', ২০১৪





ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, প্ৰসংগ পৃষ্ঠা ২



ৰবিন উইলিয়ামছ, প্ৰসংগ পৃষ্ঠা ৭



ইব'লা ভাইৰাছ, প্ৰসংগ পৃষ্ঠা ৩

# অন্বেষণ

**প্ৰথম বছৰ, অষ্টম সংখ্যা, ছেপ্টেম্বৰ, ২০১৪ চন**

## সূচীপত্ৰ

২ **শিক্ষকৰ দায়বদ্ধতা আৰু দুগৰাকী ৰাষ্ট্ৰ মহানায়কৰ চিন্তা**
■ লিপিমণি দত্ত
৩ **ইব'লা ভাইৰাছ**
■ অভিজিত শৰ্মা বৰুৱা
৬ **দেশ বিদেশৰ খবৰ**
■ সংগ্ৰহ : কুশল গোস্বামী
১০ **খবৰৰ লেছেৰি বোটলা**
■ সংগ্ৰহ : জয়ন্ত ডেকা
১১ **ভাৰতৰ জ্ঞানপীঠ বঁটা বিজয়ীসকল**
■ কিৰণময়ী কলিতা
১২ **সাধাৰণ জ্ঞানৰ সঁফুৰা**
১৪ **প্ৰথম বিশ্বযুদ্ধৰ ১০০ বছৰ**
■ কুশল গোস্বামী
১৬,২০ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
১৮ **বাকিংহাম পেলেচ**
■ নৱনীতা গোস্বামী
২১ **চুড'কু**
২২ **ভাৰতৰ ইতিহাসৰ কেইটামান উল্লেখযোগ্য চন আৰু ইয়াৰ লগত জড়িত ঘটনা**
২৩ **কমনৱেলথ্ গেমছ-২০১৪**
■ ভবেশ্বৰ গোস্বামী
২৪ **বিশ্ব ইতিহাসৰ এক সম্পূৰ্ণ অধ্যায়ৰ নায়ক 'চেংগিছ খাঁ'**
■ গায়ত্ৰী শইকীয়া
২৫ **কুইজ**
■ ধ্ৰুৱ শৰ্মা
২৬ **নীল নদী**
■ চন্দনা ডেকা
২৭ **ৰাজ্যিক বাজেট-২০১৪-১৫**
■ অপৰ্ণা দেৱী
২৮ **কি, ক'ত, কিয় বিখ্যাত?**
■ প্ৰাঞ্জল তালুকদাৰ
২৯ **সাতসৰী অসম বুৰঞ্জী**
■ সুদীপ্তা চৌধুৰী
৩০ **স্বাধীনতা আন্দোলনত অসমৰ কিছু উল্লেখযোগ্য অৱদান**
■ সোণালী গগৈ
৩২ **সঘনাই মনলৈ অহা প্ৰশ্ন**

**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**মূল্য : বিছ টকা**

**অংগসজ্জা আৰু বেটুপাত** : কুঞ্জৰ দাস

**আলোকচিত্ৰ** : প্ৰকাশ দত্ত


**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডাঃ নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

## বিশেষ নিবন্ধ

# শিক্ষকৰ দায়বদ্ধতা আৰু দুগৰাকী ৰাষ্ট্ৰ মহানায়কৰ চিন্তা

■ লিপিমণি দত্ত



*"মোৰ পুত্ৰক জ্ঞান অৰ্জনৰ বাবে আপোনাৰ ওচৰলৈ পঠিয়ালোঁ। তাক আদৰ্শ মানুহ হিচাপে গঢ়ি তুলিব, এয়াই আপোনাৰ ওচৰত মোৰ বিশেষ দাবী। মই জানো, এসময়ত সি শিকিবই লাগিব—সকলো মানুহ সত্যনিষ্ঠ, ন্যায়পৰায়ণ নহয়। কিন্তু আপুনি তাক শিকাব যে অসৎ মানুহ থাকিলেও, সৎ মানুহো থাকে। প্ৰতিজন শত্ৰুৰ বিপৰীতে এজন মিত্ৰও থাকে।*

*পাৰে যদি তাক শিকাব কিতাপৰ মাজত থকা মহিমাৰ কথা। কেৱল সেয়াই নহয়, সেউজ পাহাৰত ফুলি ৰোৱা মোহনীয় ফুল, দুপৰৰ ৰ'দে ৰ'দে ঘূৰি ফুৰা মৌমাখিজাক আৰু আকাশত উৰি ফুৰা চৰাইৰ অপাৰ্থিৱ ৰহস্য অনুভৱ কৰিবলৈকো তাক কিছু সময় দিব। তাক শিকাব পঢ়াশালিত নকল কৰি ধৰা পৰাতকৈ অকৃতকাৰ্য হোৱাটো বেছি সন্মানজনক। আন দহজনে বাৰম্বাৰ ভুল বুলি ক'লেও নিজৰ বুদ্ধিৰ ওপৰত যাতে তাৰ আস্থা অটুট থাকে সেই কথাও শিকাব।*

*ভদ্ৰলোকৰ সৈতে ভদ্ৰ ব্যৱহাৰ কৰিবলৈ আৰু কঠোৰজনৰ সৈতে কঠোৰ আচৰণ কৰিবলৈকো তাক আপুনি শিক্ষা দিব। উল্লাসত মতলীয়া জনতাৰ পদাংক অনুসৰণ নকৰিবলৈ যাতে শক্তি লাভ কৰে, মোৰ পুত্ৰক তেনে শিক্ষা দিবলৈকো যত্ন কৰিব। সি যাতে সকলোৰে কথা শুনে সেই শিক্ষা দিব; কিন্তু এইবুলিও শিকাব যেন সি সত্যৰ পৰ্দাৰে সকলো কথা চালি-জাৰি কেৱল ভালটোহে গ্ৰহণ কৰে।*

*পাৰে যদি তাক শিকাব, দুখে আৱৰি ধৰিলেও কিদৰে হাঁহি থাকিব পাৰি আৰু এইবুলিও বুজাব যে চকুলোৰ মাজত কোনো লজ্জাবোধ নাথাকে। যিসকল নিৰ্দয়-নিৰ্মম সেইসকলক সি যেন ঘৃণা কৰিবলৈ শিকে। অতিৰিক্ত লাহ-বিলাহৰপৰা যেন সি আঁতৰি থাকে। মোৰ পুত্ৰক স্নেহ যাঁচিব, কিন্তু প্ৰশংসাৰে ওপচাই নুতুলিব। কিয়নো সি বুজিব লাগিব লোহা জুইত পুৰিহে তীখা নিৰ্মাণ কৰা হয়।*

*মোৰ পুত্ৰক অধৈৰ্য হ'বলৈ নহয়, ধৈৰ্যশীল হোৱাৰ বাবেহে শিকাব। নিজৰ প্ৰতি যেন তাৰ অগাধ বিশ্বাস থাকে আৰু তেতিয়াই সমগ্ৰ মানৱ জাতিৰ প্ৰতিও তাৰ অগাধ আস্থা থাকিব।"*

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ষষ্ঠদশ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে নিজৰ ফুলকুমলীয়া পুত্ৰক পঢ়াশালিলৈ পঠিওৱাৰ পিছতে পঢ়াশালিৰ শিক্ষকলৈ প্ৰেৰণ কৰিছিল এই ঐতিহাসিক পত্ৰখন। সন্তানক আদৰ্শ মানুহ হিচাপে গঢ়ি তুলিবলৈ প্ৰতিগৰাকী অভিভাৱকেই মনে-প্ৰাণে বিচাৰে। এই পত্ৰখনতো তেনে এক পিতৃসুলভ মমত্ববোধ, দায়বদ্ধতা প্ৰকাশ পাইছে। মহান মনীষী লিংকনে শিক্ষকলৈ লিখা এই চিঠিখন কালৰ বুকুত এখন চিঠি হৈয়ে ৰোৱা নাই, বৰং সমগ্ৰ শিক্ষক সমাজৰ বাবেই শিক্ষাপ্ৰদ দলিলত পৰিণত হৈছে।

সুস্থ জাতি আৰু সমাজ গঠনত শিক্ষকৰ এই দায়িত্ববোধৰ কথা মাৰ্কিন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে যিদৰে অনুভৱ কৰিছিল, একে কথাকে অনুভৱ কৰিছিল ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণেও। যি গৰাকী ব্যক্তিৰ স্মৰণত আমি পালন কৰি আহিছো 'শিক্ষক দিৱস'। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নৈতিক আৰু মানৱীয় শিক্ষাৰে সুস্থ আৰু ৰুচিশীল মানৱৰূপে গঢ়ি তুলিব পাৰিব বুলি অগাধ বিশ্বাস আছিল

তেওঁৰ। কুৰি শতিকাৰ ভাৰতৰ চিন্তাবিদ, শিক্ষাবিদ, ৰাজনীতিবিদসকলৰ অন্যতম ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ নিজেও শিক্ষকতাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মহীশূৰ বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা ৰাধাকৃষ্ণণে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী ভাৰতীয় উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত তামিলনাডুৰ তিৰুটানিত জন্মগ্ৰহণ কৰা ৰাধাকৃষ্ণণৰ জন্মদিনটোক ভাৰতবাসীয়ে 'শিক্ষক দিৱস' হিচাপে পালন কৰে। ১৯৬২ চনৰপৰা এই দিৱস পালনৰ পৰম্পৰা চলি আহিছে। শিক্ষকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনোৱাৰ উদ্দেশ্যেই সৰ্বপল্লী ৰাধাকৃষ্ণণে তেওঁৰ জন্ম দিৱসটো পৃথকভাৱে উদ্‌যাপন নকৰি 'শিক্ষক দিৱস' হিচাপে পালন কৰিবলৈ দেশবাসীক আহ্বান জনাইছিল। সেয়ে বছৰৰ ৫ ছেপ্টেম্বৰ দিনটো ভাৰতবাসীয়ে 'শিক্ষক দিৱস' হিচাপে পালন কৰি জীৱন পথৰ মাৰ্গদৰ্শক হৈ ৰোৱা শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

লক্ষ্যণীয় যে, ভাৰতৰ বাহিৰে বিশ্বৰ অন্য প্ৰান্তত ৫ অক্ট'বৰ তাৰিখেহে 'বিশ্ব শিক্ষক দিৱস' পালন কৰা হয়। শিক্ষা আৰু উন্নয়নৰ দিশত শিক্ষকসকলৰ অসামান্য বৰঙণিৰ স্বীকৃতি স্বৰূপে এই দিৱস উদ্‌যাপন কৰি অহা হৈছে। ❑

*(৫ ছেপ্টেম্বৰ 'শিক্ষক দিৱস'ৰ সৈতে সংগতি ৰাখি এই লেখা প্ৰকাশ কৰা হৈছে।)*

# ইব'লা ভাইৰাছ

**■ অভিজিত শৰ্মা বৰুৱা**



ইব'লা ভাইৰাছ হ'ল—মানুহ আৰু পশুৰ দেহত মাৰাত্মক ৰোগ সৃষ্টি কৰিব পৰা এবিধ বিশেষ ভাইৰাছ। এইবিধ ভাইৰাছৰ বৰ্গ (Group) হ'ল—গ্ৰুপ V, ক্ৰম (Order) - ম'ন'নেগাভাইৰেলছ (Mononegavirales), গোত্ৰ (Family) - ফিল'ভিৰিডে (Filoviridae), গণ (Genus) - ইব'লা ভাইৰাছ (Ebolavirus) আৰু প্ৰজাতি (Species) - জাইৰে ইব'লা ভাইৰাছ (Zaire ebola virus)। ইয়াক চমুকৈ EBOV বুলি লিখা হয়। বিশ্ব স্বাস্থ্য সংস্থাই এই ভাইৰাছবিধক 'ৰিস্ক গ্ৰুপ ফ'ৰ পেথ'জেন' বুলি ঘোষণা কৰিছে।

ইব'লা ভাইৰাছ বুলিলে এতিয়া আমি যি বুজো তাৰ নাম আগতে জাইৰে ইব'লা ভাইৰাছ আছিল। এই ভাইৰাছৰদ্বাৰা আক্ৰান্ত ৰোগী প্ৰথমতে জাইৰেত (এতিয়া কংগো গণতান্ত্ৰিক গণৰাজ্য) চিনাক্ত হৈছিল বাবে এই ভাইৰাছৰ নামৰ আগত জাইৰে শব্দটো লগাই দিয়া হৈছিল। আনহাতে ইব'লা হ'ল আচলতে কংগোৰ এখন উপনদী। এই উপনদীৰ সমীপৰ অঞ্চলতে প্ৰথম এনে ভাইৰাছসৃষ্ট ৰোগৰ প্ৰাবল্য বেছি দেখা গৈছিল। ইব'লা ভাইৰাছ প্ৰজাতিৰ পাঁচটা জ্ঞাত ভাইৰাছৰ ভিতৰত জাইৰে ইব'লা ভাইৰাছ হ'ল—আটাইতকৈ বিপদজনক। বাকী

চাৰিটাৰ তিনিটাও অৱশ্যে সিমান কম নহয় আৰু এবাৰ মানুহৰ দেহত থিতাপি ল'ব পাৰিলে মাৰাত্মক ৰক্তস্ৰাৱী জ্বৰৰ সৃষ্টি কৰিব পাৰে। পঞ্চমটো ভাইৰাছে (ৰেষ্টন ভাইৰাছ) ৰোগ সৃষ্টি কৰাৰ কথা জনা নাযায়। কিছুমান বিভ্ৰান্তি দূৰ কৰাৰ বাবে অৱশ্যে ১৯৯০ চনৰ পৰা জাইৰে ইব'লা ভাইৰাছক কেৱল ইব'লা ভাইৰাছ বুলিয়ে ক'বলৈ লোৱা হ'ল।

'ফ্ৰুইট বেট' নামৰ বাদুলিবিধ ইব'লা ভাইৰাছৰ উৎকৃষ্ট বাহক। অৱশ্যে এতিয়া জানিব পৰা মতে গাহৰিৰ দৰে আন জন্তুও এই ভাইৰাছৰ বাহক হ'ব পাৰে। সেই ভাইৰাছ তেনে বাহকৰ পৰা মানুহলৈ বা আক্ৰান্ত মানুহৰপৰা আন নিৰোগী মানুহলৈ দেহ তৰলৰ (body fluid) যোগেদি প্ৰবেশ কৰিব পাৰে।

আন ভাইৰাছৰ দৰে ইব'লা ভাইৰাছেও কোষ বিভাজনৰদ্বাৰা নিজৰ বংশবৃদ্ধি কৰিব নোৱাৰে। পাছে সিহঁতে কিছুমান এনজাইমৰ সহায়ত পোষক কোষত নিজৰ বহুত নকল তৈয়াৰ কৰিব পাৰে আৰু তাৰ পাছত পোষক কোষৰ ভিতৰত এক ডাঙৰ ভাইৰেল আণৱিক গঠনৰ সৃষ্টি কৰে। প্ৰতিটো কোষ আক্ৰমণ কৰাৰ পাছত পৰ্যায়ক্ৰমে এই ঘটনাবোৰ ঘটে।

ইব'লা ভাইৰাছৰ সংক্ৰমণৰ ফলত হোৱা ৰোগক ইব'লা ভাইৰাছ ডিজীজ (EVD) বা ইব'লা হেম্যাৰাজিক ফিভাৰ (EHF) বুলি জনা যায়। এনে ৰোগীৰ তীব্ৰ জ্বৰ হয়, ডিঙি বিষায়, পেশীৰ বিষ হয়, মূৰ বিষায়, বমি হয়, ডায়েৰীয়া হয় আৰু তেওঁৰ লিভাৰ আৰু কিডনীয়ে বিসংগতি দেখুৱাবলৈ আৰম্ভ কৰে। পাছলৈ দেহৰ ভিতৰত আৰু বাহিৰতো ৰক্তপাত হয়। কাহ, পেচাব-পাইখানা, থু-খেকাৰ, আনকি কেতিয়াবা ঘামৰ মাধ্যমেদিও তেজ বাহিৰলৈ ওলাব পাৰে। সাধাৰণতে ইব'লা ভাইৰাছে ৰোগীৰ দেহত বাহ লোৱাৰ ৮ৰপৰা ১০ দিনৰ ভিতৰত EVD ৰোগৰ লক্ষণে দেখা দিয়ে। প্ৰথমে মেলেৰিয়া, ডেংগু আদি ৰোগৰ লক্ষণ দেখুৱালেও পাছত ৰক্তক্ষৰণ হ'বলৈ আৰম্ভ কৰে। বেছিভাগ ক্ষেত্ৰতে লক্ষণবোৰ স্পষ্ট হৈ উঠাৰ ৮-৯ দিনৰ ভিতৰত 'মাল্টিপল অৰ্গেন ডিছফাংচন'ৰ (কিডনী, লিভাৰ আদি বিভিন্ন গুৰুত্বপূৰ্ণ অংগই দৰকাৰী কামসমূহ নকৰা) বাবে ৰোগী মৃত্যুৰ মুখত পৰে। ৰোগীৰ মৃতদেহৰ পৰাও এই ৰোগৰ বিস্তাৰ হ'ব পাৰে। সেইবাবে এই ৰোগত মৃত লোকৰ দেহ সোনকালে আৰু সাৱধানে সৎকাৰ কৰিব লাগে। কংগোৰ দৰে দেশত এই ৰোগে বিস্তাৰ লাভ কৰাৰ অন্যতম কাৰণ হিচাপে একেটা চিৰিঞ্জ, বেজী আদিৰ দৰে চিকিৎসা সঁজুলি বিভিন্ন লোকৰ দেহত ব্যৱহাৰ কৰাক চিহ্নিত কৰা হৈছে।

ইব'লা ভাইৰাছৰ মূল বাহক 'ফ্ৰুইটবেট' হ'লেও বা এনে বাদুলিৰ দেহত ইব'লা ভাইৰাছ থাকিলেও সেই বাদুলি কিন্তু ইব'লা ভাইৰাছৰদ্বাৰা আক্ৰান্ত নহয় বা ওপৰোক্ত লক্ষণসমূহ সেই বাদুলিৰ দেহত ফুটি নুঠে। এনোফিলিছ মহে মেলেৰিয়া পৰজীৱী কঢ়িয়াই লৈ ফুৰিলেও যেনেকৈ সেই মহ মেলেৰিয়াৰদ্বাৰা আক্ৰান্ত নহয়, এই ক্ষেত্ৰতো কথাটো একে ধৰণৰেই। বাদুলিৰ দেহত থকা বিশেষ প্ৰকাৰৰ এণ্টিবডিয়ে বাদুলিক এই ক্ষেত্ৰত সহায় কৰে বুলি ধাৰণা কৰা হৈছে। কিন্তু এনে বাদুলিৰ পৰা বান্দৰ, গৰিলা বা মানুহ আদিলৈ এই ৰোগৰ সংক্ৰমণ হ'ব পাৰে। দেহত এই ভাইৰাছ থকা বাদুলিয়ে পেলাই থৈ যোৱা আধা খোৱা ফল, শাহ আদি যদি বান্দৰ বা গৰিলাই খায়, তেন্তে তাত থকা বাদুলিৰ লেলাৰতিৰ জৰিয়তে এই ভাইৰাছে সেই বান্দৰ বা গৰিলাৰ দেহত প্ৰৱেশ কৰিব পাৰে। কোনো লোকৰ দেহত এই ৰোগ আছে নে নাই সেই কথা জানিবলৈ ভাইৰেল এণ্টিবডি টেষ্ট, ভাইৰেল আৰ এন এ টেষ্ট আদি কৰা হয়।

১৯৭৬ চনৰ ২৬ আগষ্টত কংগোৰ ইয়ামবুকুত মাবালো লোকেলা নামৰ এজন ৪৪ বছৰ বয়সীয়া স্কুল শিক্ষক ইব'লা ভাইৰাছৰদ্বাৰা আক্ৰান্ত হোৱাটো প্ৰথমবাৰৰ বাবে ধৰা পৰিছিল। এই ভাইৰাছসৃষ্ট ৰোগৰ প্ৰাথমিক লক্ষণবোৰ মেলেৰিয়াৰ লক্ষণৰ লগত মিলে বাবে প্ৰথমে এই ৰোগৰ চিকিৎসাত কুইনাইনেই ব্যৱহাৰ কৰা হৈছিল। পাছে তাৰ কোনো ফল নধৰিল। এই ৰোগত মৃত্যুৰ হাৰ ৫০ শতাংশৰপৰা ৯০ শতাংশ পৰ্যন্ত।

মানুহৰ দেহত EVD ৰোগৰ প্ৰসাৰ ৰোধ কৰিবলৈ এই ভাইৰাছৰ বাহক প্ৰাণী বা জন্তুবিধ মাৰি

পেলোৱাৰ গত্যন্তৰ নাই। তদুপৰি তেনে আক্ৰান্ত প্ৰাণীৰ মৃতদেহৰ ব্যৱস্থাপনাও সাৱধানেৰে কৰিব লাগিব। এই ভাইৰাছ থকাৰ সম্ভাৱনা থকা অঞ্চলৰ মানুহে মাংস খালে ভালকৈ ৰন্ধা মাংসহে খাব লাগে। কোনো লোক যদি এই ৰোগত আক্ৰান্ত হয়, তেন্তে তেনে ৰোগীক চিকিৎসা কৰা বা শুশ্ৰূষা কৰা লোকে সংক্ৰমণ প্ৰতিৰোধী পোছাক পিন্ধাটো অতি প্ৰয়োজনীয়। তেনে ৰোগীক আছুতীয়া স্থানত ৰখাটো আন লোকৰ বাবে নিৰাপদজনক। হাতৰ জৰিয়তে এনে ভাইৰাছ দেহৰ ভিতৰত প্ৰবেশ কৰাৰ শংকা থাকে। গতিকে সঘনাই হাত ধুই থকাটোও প্ৰয়োজনীয় কথা।



EVD ৰোগৰ কোনো বিশেষ বা নিৰ্দিষ্ট চিকিৎসা নাই। আনহাতে বিভিন্ন গৱেষণা প্ৰতিষ্ঠানত এই ৰোগৰ ভেক্সিন তৈয়াৰ কৰাৰ চেষ্টা চলাই থকা হৈছে যদিও এতিয়ালৈকে সফল হ'ব পৰা নাই। অৱশ্যে এই ক্ষেত্ৰত যথেষ্ট আগবঢ়া গৈছে আৰু নিগনি আদি প্ৰাণীৰ দেহত কৰা কিছুমান পৰীক্ষাই ভাল ফলেই দেখুৱাইছে। কিন্তু মানুহৰ দেহত প্ৰয়োগ কৰাৰ আগতে আৰু কিছুমান পৰ্যায় পাৰ হ'ব লাগিব। ২০১৪ চনৰ ৩১ জুলাইত এই ৰোগৰ Z Mapp নামৰ এবিধ পৰীক্ষামূলক দৰৱ প্ৰথমবাৰৰ বাবে মানুহৰ দেহত প্ৰয়োগ কৰা হৈছিল। ইব'লা ভাইৰাছৰদ্বাৰা আক্ৰান্ত দুজন আমেৰিকান লোকক এই দৰৱ দিয়া হ'ল আৰু দুয়োজনৰ ক্ষেত্ৰত এই দৰৱে ভাল ফলেই প্ৰদৰ্শন কৰিলে। পাছে তাৰ পাছত যেতিয়া এই দৰৱ ৭৫ বছৰীয়া এজন যাজকক দিয়া হ'ল, তেতিয়া তেওঁ ভালতো নাপালেই, বৰং ঢুকাইহে থাকিল।

নিৰ্দিষ্ট চিকিৎসা নাথাকিলেও এনে ৰোগীক সাধাৰণতে 'অৰেল ৰিহাইড্ৰেছন থেৰাপী' বা 'ইণ্ট্ৰভেনাছ তৰল' ব্যৱহাৰ কৰিবলৈ দিয়া হয়, যাতে ৰোগৰ লক্ষণবোৰৰ পৰা কিছু উপশম পাব পাৰি। আফ্ৰিকাৰ উপ-চাহাৰা অঞ্চলত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি। সম্প্ৰতি এই ৰোগ উপ-চাহাৰা অঞ্চলৰ উপৰি বিশ্বৰ আন কেইখনমান দেশলৈও বিয়পিছে আৰু বিশ্ব স্বাস্থ্য সংস্থাই আন্তৰ্জাতিক সতৰ্কবাণী শুনাবলগীয়া হৈছে। ২০১৪ চনৰ ১৩ আগষ্টলৈকে বিশ্বত ২১২৭ জন ৰোগীক চিনাক্ত কৰা হৈছে আৰু তাৰে ১১৪৫ জন মৃত্যুৰ মুখত পৰিছে। এই ৰোগে বৰ্তমান বেছিকৈ শিপোৱা দেশসমূহৰ প্ৰথম শাৰীতে আছে গিনি, ছিয়েৰা লিয়ন, লাইবেৰিয়া আৰু নাইজেৰিয়া। অৱশ্যে বায়ুৰদ্বাৰা এইবিধ ভাইৰাছ বিস্তাৰিত নহয় বাবে আৰু আক্ৰান্ত লোকৰ প্ৰত্যক্ষ সান্নিধ্যত আহিলেহে এই ৰোগ বিয়পিব পাৰে বাবে EVD ৰোগ মহামাৰী হৈ উঠাৰ আশংকা কম।

ইব'লা ভাইৰাছৰপৰা কিন্তু আন এটা ভয় আছে। সেয়া হ'ল—গৱেষণাগাৰত এই ভাইৰাছৰ ০.৮-১.২ মাইক্ৰ'মিটাৰ আকাৰৰ ক্ষুদ্ৰ টোপাল সৃষ্টি কৰি সেইবোৰক উশাহৰ লগত আন লোকৰ দেহৰ ভিতৰলৈ পঠিয়াই দিব পাৰি। সেইবাবে এনে ভাইৰাছ এক 'জৈৱিক অস্ত্ৰ' হৈ উঠাৰ আশংকা আছে।

বেমাৰৰ বিস্তাৰ ঘটোৱাৰ দিশৰপৰা চাবলৈ গ'লে ইব'লা ভাইৰাছ সাধাৰণ পানী লগা, ইনফ্লুৱেঞ্জা আদি ৰোগ সৃষ্টি কৰা ভাইৰাছতকৈ তলততে আছে। বায়ু, পানী বা খাদ্য কোনোটোৰ পৰাই ইব'লা ভাইৰাছে বিস্তাৰ লাভ কৰিব নোৱাৰে। ইব'লা ভাইৰাছ কাৰোবাৰ দেহত থাকিলেও যদি সেই ভাইৰাছসৃষ্ট ৰোগৰ লক্ষণ তেওঁৰ দেহত ফুটি নুঠে, তেতিয়া সেইজন লোকৰ পৰা ইব'লা ভাইৰাছৰ প্ৰসাৰো হ'ব নোৱাৰে। ❑

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (সপ্তম সংখ্যা, আগষ্ট ২০১৪)

১। কোৰিয়া (১৪৪১)　২। চুমেৰীয়　৩। চিলি আৰু নেদাৰলেণ্ডৰ মাজৰ যুদ্ধ (১৬৫১-১৯৮৫)

৪। অমৰ তীৰ্থ　৫। কালাপাহৰ

## চিকিৎসা বিজ্ঞানলৈ সুখবৰ কঢ়িয়াই আনিছে 'নেইষ্ট'ৰ বিজ্ঞানীয়ে

যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ (North-East Institute of Science and Technology) বিজ্ঞানীৰ এটা দলে কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত বিশেষ সাফল্য লাভ কৰিছে। বিজ্ঞানীসকলে তেওঁলোকৰ গৱেষণাত মেজাংকৰি গছৰ তেলত থকা এবিধ বিশেষ যৌগ চিনাক্ত কৰি উলিয়াইছে। এই যৌগবিধে হাঁওফাঁওৰ কৰ্কট ৰোধ প্ৰতিৰোধ কৰিব পাৰে। প্লচ ওৱান (Plos one) নামৰ আন্তঃৰাষ্ট্ৰীয় পত্ৰিকাখনত তেওঁলোকে প্ৰকাশ কৰে যে এই যৌগবিধে এ এছ ৪৯ নন স্মল চেল লাং কাৰ্চিনোমা (AS 49 Non Small Cell Lung Carcinoma) নামৰ কৰ্কট ৰোগ সৃষ্টিকাৰী কোষবিধ ধ্বংস কৰিব পাৰে। ইতিমধ্যে পেটেণ্ট লাভ কৰা এই আৱিষ্কাৰটোৰ বাবে প্ৰতিষ্ঠানটোৱে জাইডাছ কেডিলা নামৰ ঔষধ প্ৰস্তুতকাৰী প্ৰতিষ্ঠানটোৰ লগত বাণিজ্যিক চুক্তি সম্পন্ন কৰিছে। উক্ত গৱেষণাত অংশগ্ৰহণ কৰা বিজ্ঞানীসকল হ'ল—পি জি ৰাও, সমীৰ ভট্টাচাৰ্য, সোমা শীল, প্ৰিয়জিৎ চেটাৰ্জী, সুস্মিতা ভট্টাচাৰ্য, ধ্ৰুৱ লাল, সুমন দাসগুপ্ত, ৰাকেশ কাণ্ডু, সন্দীপ মুখাৰ্জী, শ্বেলী ভট্টাচাৰ্য, মণ্টু ভূঞা আৰু প্ৰণব ভট্টাচাৰ্য।

## ৰিছাৰ্ড ছেমুৰেল এটেনব'ৰৰ দেহাৱসান

ব্ৰিটিছ চলচ্চিত্ৰ পৰিচালক প্ৰযোজক, অভিনেতা ৰিছাৰ্ড এটেনব'ৰৰ যোৱা ২৪ আগষ্ট তাৰিখে ৯০ বছৰ বয়সত দেহাৱসান ঘটে। এটেনব'ৰে তেওঁৰ অভিনয় জীৱনত চাৰিবাৰকৈ গ'ল্ডেন গ্ল'ব এৱাৰ্ড (Golden Globe Award), চাৰিবাৰকৈ বাফটা পুৰস্কাৰ আৰু ১৯৮৩ চনত 'গান্ধী' চলচ্চিত্ৰখনৰ পৰিচালক আৰু প্ৰযোজক হিচাপে অ'স্কাৰ বঁটা লাভ কৰিছিল। এই চলচ্চিত্ৰখনে মুঠ আঠটা অস্কাৰ বঁটা লাভ কৰিছিল। মুঠ বাৰখন চলচ্চিত্ৰ পৰিচালনা কৰা এটেনব'ৰৰ চিনেমাবোৰৰ ভিতৰত 'এ ব্ৰীজ টু ফাৰ' (A Bridge to fur), এ ক'ৰাছ লাইন (A Corus Line), ক্ৰাই ফ্ৰীডম (Cry Freedom), চেপলিন (Chaplin) আদি উল্লেখযোগ্য। এটেনব'ৰক ১৯৮৩ চনত মাৰ্টিন লুথাৰ কিং জুনিয়ৰ শান্তি বঁটা প্ৰদান কৰা হয়। শিল্পীগৰাকীয়ে ১৯৭৬ চনত 'নাইট' সন্মানো লাভ কৰে। এওঁ ৰয়েল একাডেমী অব ড্ৰামাটিক আৰ্টৰ সভাপতি আৰু চাচেক্স বিশ্ববিদ্যালয়ৰ আচাৰ্যৰ পদো অলংকৃত কৰিছিল।

## লিমকা বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত কাব্যনীল তালুকদাৰ

'ৰুবিক্‌ছ কিউব' খেলৰ ৰাষ্ট্ৰীয় খেলুৱৈ কাব্যনীল তালুকদাৰে 'লিমকা বুক অৱ ৰেকৰ্ডছ'ত নিজৰ নাম অন্তৰ্ভুক্ত কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছে। অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ কাব্যনীল তালুকদাৰে ভাৰতৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত 'স্পীড চ'লভিং' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিশেষ সফলতা লাভ কৰিছে। কাব্যনীল বৰ্তমান এই খেলবিধত ভাৰতবৰ্ষৰ প্ৰথম, এছিয়াৰ সপ্তম আৰু বিশ্বৰ ভিতৰত বিংশতম স্থানৰ খেলুৱৈ। তেওঁ যোগগুৰু হৰিপ্ৰসাদ তালুকদাৰৰ দ্বিতীয় সন্তান।

## পাকিস্তানৰ সংসদ অৱৰোধ

যোৱা ১৩ আগষ্ট তাৰিখৰপৰা পাকিস্তানত প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফৰ বিৰুদ্ধে বিৰোধীপক্ষই সৰ্বাত্মক আন্দোলন আৰম্ভ কৰিছে। প্ৰতিবাদকাৰী বিৰোধী দল দুটা



হ'ল ক্ৰমে কিংবদন্তী ক্ৰিকেট খেলুৱৈ ইমৰাণ খান নেতৃত্বাধীন টেহৰিক ই-ইনচাফ আৰু কানাডাস্থিত ধৰ্মগুৰু তাহিৰ-উল-কুৱাদ্ৰী নেতৃত্বাধীন আৱামী টেহৰিক। এই দল দুটাই শ্বৰীফক অতি শীঘ্ৰে পদত্যাগ কৰিবলৈ দাবী জনাইছে। তেওঁলোকে ২০১৩ চনত অনুষ্ঠিত দেশৰ

সাধাৰণ নিৰ্বাচনত ব্যাপক ৰিগিং কৰিহে অন্যায়ভাৱে শ্বৰিফে ক্ষমতা দখল কৰি প্ৰধান মন্ত্ৰী হোৱা বুলি গুৰুতৰ অভিযোগ তুলিছে।

এই দল দুটাই প্ৰধান মন্ত্ৰীৰ পদত্যাগৰ দাবীত সমগ্ৰ দেশ তোলপাৰ লগোৱাৰ মাজতে নৱাজ শ্বৰীফে সংবিধানৰ গণ্ডীৰ ভিতৰত আলোচনাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে।

যোৱা ২০ আগষ্টত এই ৰাজনৈতিক দল দুটাৰ নেতৃত্বত দেশৰ হাজাৰ হাজাৰ চৰকাৰ বিৰোধী লোকে সংসদ ভৱন অবৰোধ কৰি সাংসদসকলক অৱৰুদ্ধ কৰি ৰাখে। শ্বৰীফৰ শীঘ্ৰে পদত্যাগৰ দাবী জনাই জনতাই সংসদ ভৱনৰ সকলোবোৰ প্ৰবেশ আৰু প্ৰস্থান দ্বাৰত তলা লগাই দি প্ৰতিবাদ অব্যাহত ৰাখে। তেওঁলোকে নিৰ্দিষ্ট চৰম সীমাৰ ভিতৰত পদত্যাগ কৰি শ্বৰীফক মধ্যকালীন নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী কৰে।

## মাদ্ৰী কাকতিলৈ সন্মানজনক ফুলব্ৰাইট ফেল'শ্বিপ

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত ভাষাতত্ত্বৰ বিষয়ে গৱেষণাৰত আৰু ভাষাতত্ত্ব বিভাগৰ অতিথি অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা মাদ্ৰী কাকতিলৈ ২০১৪-১৫ চনৰ সন্মানজনক ফুলব্ৰাইট ফেল'শ্বিপ আগবঢ়োৱা হৈছে। ফেল'শ্বিপ লাভ কৰা মাদ্ৰী কাকতি নিউয়ৰ্ক বিশ্ববিদ্যালয়ত মধ্যপ্ৰাচ্য আৰু ইছলামিক গৱেষণা বিভাগত বিদেশী ভাষা শিক্ষাদান আৰু কৰ্মকুশলতা বৃদ্ধি কাৰ্যসূচীত ন মাহৰ বাবে অংশগ্ৰহণ কৰিব। ইণ্টাৰনেশ্বনেল ৰিলেশ্বন আৰু লিংগুইষ্টিক বিভাগৰ এই অধ্যাপিকাগৰাকীৰ ঘৰ নগাঁৱত।

## প্ৰখ্যাত কমেডী অভিনেতা ৰবীন উইলিয়ামছৰ মৃত্যু

ধেমেলীয়া আৰু এক নিৰ্দিষ্ট শৈলীৰ অভিনয়ৰ যোগেদি বিশ্বজোৰা খ্যাতি লাভ কৰা বহুমুখী প্ৰতিভাধৰ অভিনেতা ৰবীন উইলিয়ামছৰ যোৱা ১২ আগষ্ট তাৰিখে মৃত্যু হয়। ৬৩ বছৰীয়া উইলিয়ামছৰ কেলিফ'ৰ্ণিয়াস্থিত নিজ বাসভৱনত মৃত্যু ঘটে। ১৯৯৭ চনত 'গুড উইল হাণ্টিং' নামৰ চিনেমাখনত কৰা অভিনয়ৰ বাবে সহ অভিনেতাৰ অস্কাৰ বঁটাপ্ৰাপক উইলিয়ামছৰ জন্ম ১৯৫১ চনৰ ২১ জুনত চিকাগোত হৈছিল। দূৰদৰ্শনৰ লগতে চিনেমা জগতৰ অতি জনপ্ৰিয় কমেডী অভিনেতা উইলিয়ামছে অভিনয় কৰা বিখ্যাত চিনেমাবোৰৰ ভিতৰত 'গাৰ্প' (১৯৮২), 'গুড মৰ্ণিং ভিয়েটনাম' (১৯৮৭), 'ডেড পয়েটছ ছ'চাইটি' (১৯৮৯), 'এৱেকেনিংছ' (১৯৯০), 'আলাডিন' (১৯৯২), 'হেপ্পী ফীট' (২০০৬) আদি অন্যতম।

## কৰ্কট ৰোগৰ প্ৰখ্যাত চিকিৎসক তপন কুমাৰ শইকীয়াক কমলা শইকীয়া ৰাষ্ট্ৰীয় বঁটা প্ৰদান

যোৱা ৯ আগষ্ট তাৰিখে কৰ্কট ৰোগৰ বিশিষ্ট চিকিৎসক তপন কুমাৰ শইকীয়াক ২০১৪ বৰ্ষৰ সাংবাদিক কমলা শইকীয়া ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। সাংবাদিক শইকীয়াৰ ২৩তম মৃত্যুবাৰ্ষিকী উপলক্ষে গুৱাহাটীস্থ বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত ত্ৰয়োদশ কমলা শইকীয়া স্মাৰক বক্তৃতানুষ্ঠানত এই বঁটা প্ৰদান কৰে ন্যাসৰ সভাপতি তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকসেন ডেকাই। এই বঁটাত আছে নগদ এক লাখ টকা আৰু এখন প্ৰশস্তি পত্ৰ। ডাঃ শইকীয়া বৰ্তমান মুম্বাইৰ প্ৰিন্স আলী খান হাস্পতাল আৰু যশলোক হাস্পতালত কৰ্মৰত।

## নিপন গোস্বামীক নটসূৰ্য বঁটা প্ৰদান



অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে বিশিষ্ট অভিনেতা নিপন গোস্বামীক যোৱা ৩১ জুলাই তাৰিখে ২০১৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰদান কৰে। গুৱাহাটীস্থ ৰবীন্দ্ৰ ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমীয়া কথাছবি আৰু মঞ্চ জগতৰ প্ৰসিদ্ধ অভিনেতাগৰাকীক এই বঁটা প্ৰদান কৰে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, এৰী চাদৰ, শৰাই আৰু এক লাখ টকা। পৰৱৰ্তী বৰ্ষৰ পৰা ৰাজ্য চৰকাৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ নামতো বঁটা প্ৰদান কৰিব বুলি এই সভাতে মুখ্যমন্ত্ৰী গগৈয়ে ঘোষণা কৰে।

## দলবীৰ সিং সুহাগ দেশৰ নতুন সেনাপ্ৰধান



দেশৰ নতুন সেনাপ্ৰধান হিচাপে যোৱা ৩১ জুলাই তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰে দলবীৰ সিং সুহাগে। তেওঁ অৱসৰ গ্ৰহণ কৰা জেনেৰেল বিক্ৰম সিঙৰপৰা দায়িত্বভাৰ গ্ৰহণ কৰে। জেনেৰেল সুহাগ দেশৰ সেনা বাহিনীৰ ২৬ সংখ্যক মুৰব্বী।

## নতুন নাবালক ন্যায় আইন, ২০১৪

যোৱা ৬ আগষ্ট তাৰিখে প্ৰস্তাৱিত সংশোধিত নাবালক ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) বিধেয়ক ২০১৪ৰ খচৰাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। এই নতুন আইনখনৰ আধাৰত বলাৎকাৰ, হত্যা আদিৰ দৰে গুৰুতৰ অপৰাধৰ সৈতে জড়িত নাবালকসকলৰ বিৰুদ্ধে প্ৰাপ্তবয়স্ক অপৰাধীৰ দৰেই সাধাৰণ আদালতত বিচাৰ চলাব পৰা যাব। উল্লেখযোগ্য যে কিছুদিন আগতে দেশৰ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক এই নাবালক ন্যায় আইনখন সংশোধন কৰিবলৈ নিৰ্দেশ দিছিল। এই নতুন আইনখনৰ জৰিয়তে গুৰুতৰ অপৰাধৰ সৈতে জড়িত ১৬ বছৰীয়া নাবালকসকলকো আন সাধাৰণ আদালতত বিচাৰ কৰিব পৰা যাব। নতুন সংশোধিত আইন অনুসৰি গুৰুতৰ অপৰাধৰ সৈতে জড়িত নাবালকসকলক মৃত্যুদণ্ড বা যাৱজ্জীৱন কাৰাদণ্ড বিহিব নোৱাৰিব যদিও এওঁলোকৰ বিৰুদ্ধে নাবালক ন্যায় আইন বা ভাৰতীয় দণ্ডবিধিৰ (IPC) অধীনত বিচাৰ প্ৰক্ৰিয়া চলিব। তদুপৰি এই বিধেয়ক অনুসৰি সন্ত্ৰাসবাদী বা বিদ্ৰোহী সংগঠনে নিযুক্তি দিয়া নাবালকসকলকো দোষী সাব্যস্ত কৰা হ'ব আৰু তেওঁলোকক সৰ্বাধিক ৭ বছৰৰ কাৰাদণ্ড আৰু ৫ লাখ টকা জৰিমনা বিহা হ'ব। একেদৰে বিদ্যালয় বা মহাবিদ্যালয়ত ৰেগিঙৰ সৈতে জড়িত নাবালকসকলকো দোষী সাব্যস্ত কৰি তিনি বছৰৰ কাৰাদণ্ড আৰু এক লাখ টকাৰ জৰিমনা বিহা হ'ব বুলি প্ৰস্তাৱিত সংশোধিত বিধেয়কখনত সন্নিৱিষ্ট কৰা হৈছে।

## 'মাষ্টাৰ', 'ভিছা' কাৰ্ডৰ প্ৰতিদ্বন্দ্বী 'ৰুপে' কাৰ্ড

ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে যোৱা ৮ মে' তাৰিখে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ভাৰতবৰ্ষৰ নিজস্ব থলুৱা কাৰ্ড পৰিশোধ পদ্ধতি 'ৰুপে' (Ru Pay) আনুষ্ঠানিকভাৱে মুকলি কৰিছে। আমেৰিকা যুক্তৰাজ্যৰ 'ডিছক'ভাৰ ফাইনেন্সিয়েল ছাৰ্ভিচেজ (DFS) নামৰ প্ৰতিষ্ঠানটোৰ সহযোগত 'নেছনেল পেমেণ্ট কৰ্প'ৰৈচন অব ইণ্ডিয়া'ই ২০১২ চনৰ ২৬ মাৰ্চত এই 'ৰুপে' কাৰ্ড আৰম্ভ কৰিছিল। এই থলুৱা কাৰ্ডবিধ ভাৰতৰ সকলো এ টি এমত কাৰ্যকৰী হোৱাৰ লগতে ভাৰতৰ বাহিৰতো ব্যৱহাৰ কৰিব পৰা যাব।

## ৰেল সেৱাত এশ শতাংশ বিদেশী বিনিয়োগ

যোৱা ৬ আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰে ৰেলৱে বিভাগত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ (F.D.I.) ক্ষেত্ৰত অনুমোদন জনাইছে। নতুন চৰকাৰৰ সংস্কাৰ কাৰ্যসূচীক আৰু আগুৱাই নিয়া পদক্ষেপ হিচাপে নৰেন্দ্ৰ মোডীৰ পৌৰোহিত্যত বহা কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন বৈঠকত এই গুৰুত্বপূৰ্ণ অনুমোদন জনোৱা হয়। ৰেলৱেত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্ৰত যি সিদ্ধান্ত লোৱা হৈছে, সিয়ে ভাৰতীয় ৰেলসেৱা ব্যৱস্থাৰ মান বহুগুণে উন্নত কৰিব বুলি আশা কৰা হৈছে। [টোকা : বিদেশী বিনিয়োগকাৰীসকলে কোনো এখন দেশত নিৰ্দিষ্ট নিয়মৰ মাজেৰে পোনপটীয়াকৈ কৰা বিনিয়োগক 'প্ৰত্যক্ষ বিদেশী বিনিয়োগ' বুলি কোৱা হয়।

## দেশৰ সৰ্বাধিক উপাৰ্জনকাৰী ঐতিহাসিক কীৰ্তিস্তম্ভৰ শীৰ্ষত তাজমহল

তাজমহলে দেশৰ ঐতিহাসিক কীৰ্তিস্তম্ভসমূহৰ ভিতৰত সৰ্বাধিক আয় কৰা কীৰ্তিস্তম্ভৰ শীৰ্ষত স্থান লাভ কৰিছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি তাজমহলে পৰ্যটকৰ পৰা এবছৰত ২১.৮৪ কোটি টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। অলপতে ৰাজ্যসভাত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী শ্ৰীশ্ৰীপদ য়েছ' নাইকে



প্ৰকাশ কৰা মতে তাজমহলৰ পিছতে সৰ্বাধিক আয় কৰা ঐতিহাসিক কীৰ্তিস্তম্ভ হিচাপে পৰিগণিত হৈছে আগ্ৰা ফৰ্ট। এই ফৰ্টটোৱে পৰ্যটকৰ পৰা বছৰত ১০.২২ কোটি টকা আয় কৰিছে। ইয়াৰ পিছত আছে কুতুবমিনাৰ (১০.১৬ কোটি)। এই তালিকাত লালকিল্লাই পঞ্চম স্থান লাভ কৰিছে।

## মংগলযানৰ (Mars Orbiter Mission) শেহতীয়া অৱস্থিতি

ভাৰতৰ মহাকাশ গবেষণা প্ৰতিষ্ঠান ইচ্‌ৰোৱে (ISRO) উৎক্ষেপণ কৰা মংগল গ্ৰহ অভিমুখী মংগল যানে ইতিমধ্যে প্ৰায় ৮.৯ কোটি কিল'মিটাৰ অতিক্ৰম কৰিছে। ২০১৩ চনৰ নৱেম্বৰ মাহৰ ৫ তাৰিখে উৎক্ষেপণ কৰা যানখনে আৰু প্ৰায় ৯০ লাখ কিল'মিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ বাকী আছে। পৰৱৰ্তী ৩৩ দিনৰ অন্তত যানখনে মংগল গ্ৰহত অৱতৰণ কৰিব। এই তথ্য ইচ্‌ৰোৱে যোৱা ২৩ আগষ্ট তাৰিখে সদৰি কৰিছে।

## অসমৰ সাহিত্য অকাডেমী বঁটা প্ৰাপকসকল

'বিজ্ঞানৰ অনুপম জগত' নামৰ নিবন্ধ গ্ৰন্থখনৰ বাবে ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে সাহিত্য অকাডেমীৰ ২০১৪ শিশু সাহিত্য পুৰস্কাৰ লাভ কৰিছে। আনহাতে, 'জহৰ মহৰ' গল্প সংগ্ৰহ গ্ৰন্থখনৰ বাবে মণিকা দেৱীক যচা হৈছে সাহিত্য অকাডেমীৰ ২০১৪ বৰ্ষৰ যুৱ পুৰস্কাৰ। এই দুয়োটা বঁটা অসমীয়া ভাষাৰ সাহিত্যৰ বাবে আগবঢ়োৱা হৈছে। লগতে বড়ো ভাষাত সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা আৰু যুৱ বঁটা লাভ কৰিছে ক্ৰমে কৌশল্যা ব্ৰহ্ম (কবিতা সংগ্ৰহ 'গথৌসফুৰণী ৰাও') আৰু শান্তি বসুমতাৰীয়ে (গ্ৰন্থ—থৌইনী ধুইবু গোজাছিন নৌউনী গাবা)। লগতে ইংৰাজী সাহিত্যত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (JNU) অধ্যাপক কৌশিক বৰুৱাই তেওঁৰ উইণ্ড হৰ্ছ (Wind Horse) নামৰ কিতাপখনৰ বাবে এই সন্মানীয় বঁটা লাভ কৰিছে।

## জ্ঞানপীঠ বিজয়ী অনন্তমূৰ্তিৰ দেহাৱসান

কন্নড় সাহিত্য ক্ষেত্ৰৰ উজ্জ্বল ৰত্ন তথা জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ইউ আৰ অনন্তমূৰ্তিৰ যোৱা ২২ আগষ্ট তাৰিখে বাংগালুৰুত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছি ৮১ বছৰ। শ্বিমোগো জিলাৰ মেলাইজ নামৰ এখন সৰু অখ্যাত গাঁৱত ১৯৩২ চনৰ ২১ ডিছেম্বৰত জন্মলাভ কৰা উদুপি ৰাজগোপালাচাৰ্য অনন্তমূৰ্তিক তেওঁৰ সাহিত্য কৃতিৰ বাবে ১৯৯৪ চনত জ্ঞানপীঠ বঁটা প্ৰদান কৰা হৈছিল। পদ্মভূষণ উপাধিৰে বিভূষিত অনন্তমূৰ্তি ২০১৩ বৰ্ষত মেন বুকাৰ বঁটাৰ বাবেও মনোনয়ন প্ৰাপ্তৰ তালিকাত আছিল। 'সংস্কাৰ' নামৰ উপন্যাসেৰে পাঠকৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হোৱা সাহিত্যিকগৰাকীৰ অন্যান্য সাহিত্যকৃতিৰ ভিতৰত আছে ঘতশ্ৰাদ্ধ, ভাৰতীপুৰা, অৱস্থে আৰু ভৱ আদি।

## প্ৰধানমন্ত্ৰী মোডীৰ নেপাল ভ্ৰমণ

যোৱা তিনি আগষ্ট তাৰিখে দুদিনীয়া ভ্ৰমণসূচী লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নেপাল ভ্ৰমণ কৰে। বিগত ১৮ বছৰৰ পিছত এয়া ভাৰতৰ প্ৰধানমন্ত্ৰীৰ প্ৰথম নেপাল ভ্ৰমণ। তেওঁৰ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীয়ে নেপালৰ সংসদত হিন্দীত ভাষণ প্ৰদান কৰে। তেওঁ নেপালৰ উন্নতিৰ বাবে সকলো ধৰণৰ সহায় আগবঢ়াবলৈ ভাৰত সদায় সাজু বুলি মত প্ৰকাশ কৰে।

মোডীয়ে নেপালৰ প্ৰধানমন্ত্ৰী সুশীল কৈৰালাৰ লগত দ্বিপাক্ষিক বিষয় আলোচনাৰ বাবে বৈঠকত মিলিত হয়। মোডীয়ে দুয়োখন দেশৰ মাজত বিভিন্ন ক্ষেত্ৰৰ সহযোগিতাৰ লগতে সৰ্বসাধাৰণৰ মাজত যোগাযোগ আৰু সম্পৰ্ক বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়ে। নেপালৰ আৰ্থ-সামাজিক উন্নয়নৰ হকে ভাৰতে সম্ভৱপৰ সকলো সাহায্য নেপালক দিব বুলি মোডীয়ে প্ৰতিশ্ৰুতি দিয়ে।

## খবৰৰ লেছেৰি বোটলা

**(২১ জুলাইৰপৰা ২০ আগষ্টলৈ)**

**২০ জুলাই :** শদিয়াৰপৰা ধুবুৰীলৈ এনকেফেলাইটিছ ৰোগৰ সন্ত্ৰাস। ইতিমধ্যে ১৫৫ গৰাকী লোকৰ মৃত্যু।

**২১ জুলাই :** নাছা (NASA)ৰদ্বাৰা চন্দ্ৰত মানুহৰ প্ৰথম অৱতৰণৰ ৪৫ বছৰীয়া বৰ্ষপূৰ্তি পালন। ১৯৬৯ চনৰ ২০ জুলাইত ইতিহাস সৃষ্টি কৰি 'এপল-১১' মহাকাশ যানেৰে চন্দ্ৰত নীল আৰ্মষ্ট্ৰঙে প্ৰথম খোজ পেলায়।

**২২ জুলাই :** ড° লক্ষহীৰা দাস অসম সাহিত্য সন্মিলনীৰ সভানেত্ৰী নিৰ্বাচিত।

- ইউনিচেফৰ প্ৰতিবেদন— বাল্য বিবাহ সম্পন্ন হোৱা বিশ্বৰ দহখন দেশৰ ভিতৰত ভাৰত অন্যতম।
- কাবুল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আত্মঘাতী বোমা বিস্ফোৰণ, নিহত ৪।

**২৩ জুলাই :** ২০১৪ চনৰ মেন বুকাৰ বঁটাৰ বাবে মনোনয়ন লাভ কৰিছে ভাৰতত জন্ম গ্ৰহণ কৰা, বৰ্তমান লণ্ডনৰ বাসিন্দা নীল মুখাৰ্জীয়ে। উপন্যাসখনৰ নাম 'দ্য লিভচ্ অব আদাৰ্‌ছ' (The Lives of Others)।

- বিংশতম 'কমনৱেলথ গেমচ্' গ্লাছগত আৰম্ভ। ভাৰতে সৰ্বমুঠ ৬৪টা পদক লাভেৰে পঞ্চম স্থান লাভ কৰে।

**২৫ জুলাই :** কাৰ্গিল যুদ্ধৰ শ্বহীদলৈ ৰাষ্ট্ৰৰ শ্ৰদ্ধাঞ্জলি।

- ৰাষ্ট্ৰসংঘৰ ঘোষণা : বিশ্বত ২২০ কোটিৰো অধিক দৰিদ্ৰ লোক আছে।

**২৪ জুলাই :** নাইজেৰিয়াত ধাৰাবাহিক বোমা বিস্ফোৰণ। নিহত ৩৯।

**২৮ জুলাই :** 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্যৰ জন্মদিন পালন।

**১ আগষ্ট :** পশ্চিম আফ্ৰিকাত 'ইব'লা' ভাইৰাছৰ সন্ত্ৰাস, ৭২৯ জনৰ মৃত্যু।

**২ আগষ্ট :** অসম সাহিত্য সভাৰ সৰ্বোচ্চ সাহিত্য সন্মান 'সাহিত্যচাৰ্য' উপাধি প্ৰত্যাখ্যান কৰে যতীন গোস্বামীয়ে।

**৪ আগষ্ট :** চীনৰ ইউনান প্ৰদেশত ৬.৫ প্ৰাবল্যৰ ভূমিকম্প, নিহত ৪০০ৰো অধিক।

- প্ৰথম বিশ্বযুদ্ধৰ ১০০ বছৰ পূৰ্ণ।
- ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেপাল ভ্ৰমণ আৰু নেপাল সংসদত ভাষণ প্ৰদান।
- বিশ্ব বাণিজ্য সংস্থাৰ সভা জেনেভাত অনুষ্ঠিত।

**৫ আগষ্ট :** ব্ৰিটেইনত এঘণ্টাৰ বাবে বিজুলীবাতি বন্ধ কৰি প্ৰথম বিশ্বযুদ্ধৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি।

**৬ আগষ্ট :** 'চাচা চৌধুৰী'ৰ স্ৰষ্টা প্ৰখ্যাত কাৰ্টুনিষ্ট প্ৰাণৰ মৃত্যু।

**৭ আগষ্ট :** ৰঘুবীৰ যাদবৰ ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত নটসূৰ্য নাট সমাৰোহত অংশগ্ৰহণ। 'পিয়ানো' নাটকত মনপৰশা অভিনয়।

**১১ আগষ্ট :** অসম সাহিত্য সভাৰ 'সদস্য মহীয়ান' সন্মান ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ আৰু 'সাহিত্যাচাৰ্য' সন্মান নিৰুপমা বৰগোহাঞিলৈ আগবঢ়োৱা হয়।

**১২ আগষ্ট :** প্ৰখ্যাত কমেডী অভিনেতা ৰবীন উইলিয়ামছৰ মৃত্যু।

- অসম-নগা সীমান্তত নগা উগ্ৰপন্থীৰ গুলীচালনা।

**১৮ আগষ্ট :** ছলমান ৰুশ্বদিলৈ ডেনমাৰ্কৰ শীৰ্ষ সাহিত্য বঁটা।

**১৯ আগষ্ট :** অসম বিধানসভাত বিত্ত মন্ত্ৰী তৰুণ গগৈৰদ্বাৰা বাজেট উত্থাপন।

- ইৰম শৰ্মিলাক মুক্তি দিয়াৰ নিৰ্দেশ আদালতৰ।
- ৰবি শাস্ত্ৰীক ভাৰতীয় ক্ৰিকেট দলৰ সঞ্চালক নিযুক্তি।

**২০ আগষ্ট :** বিৰোধী দলৰদ্বাৰা পাকিস্তানৰ সংসদ অৱৰোধ।

- আইছিছৰদ্বাৰা আমেৰিকান ফট' সাংবাদিক হত্যাৰ ভিডিঅ' প্ৰচাৰ। ❑

**সংগ্ৰহ : জয়ন্ত ডেকা**

■ কিৰণময়ী কলিতা

# (২) তাৰাশংকৰ বন্দোপাধ্যায়



জ্ঞানপীঠ বঁটা বিজয়ী বঙালী ভাষাৰ সাহিত্যিক তাৰাশংকৰ বন্দোপাধ্যায়ৰ জন্ম হৈছিল ১৮৯৮ চনৰ জুলাই মাহৰ ২৩ তাৰিখে বেংগলৰ বীৰভূম জিলাৰ লাভপুৰ নামে ঠাইত। বন্দোপাধ্যায়ে সাহিত্যৰ প্ৰতিটো দিশেই নিজৰ অৱদানেৰে সমৃদ্ধ কৰিছে যদিও তেওঁ ঔপন্যাসিক হিচাপেহে খ্যাতি লভিছিল।

তেওঁ নিজেই যি বিশ্বাস আৰু প্ৰত্যক্ষ কৰিছিল, তাকেই নিজৰ ৰচনাৰ মাজেৰে প্ৰকাশ কৰিছিল।

ঔপন্যাসিক তাৰাশংকৰে উপন্যাসসমূহৰ সংবেদনক চিন্তাৰে ৰূপান্তৰ কৰিছিল। তেওঁৰ উপন্যাসসমূহ প্ৰায়ে দীঘল আছিল আৰু তেওঁ প্ৰায় সকলো ধৰণৰ চৰিত্ৰৰ (অতি দুখীয়া লোকৰপৰা ভূস্বামী পৰ্যন্ত) সমাৱেশ ঘটাইছিল। তাৰাশংকৰৰ উপন্যাসসমূহত মানুহৰ সম্পৰ্কৰ বিষয়ে কৰা পৰীক্ষণ স্পষ্টৰূপে ধৰা দিয়ে। চমুকৈ তাৰাশংকৰ বন্দোপাধ্যায়ৰ উল্লেখযোগ্য সাহিত্য কৰ্মৰাজি ঃ

**উপন্যাস** : গণদেৱতা (১৯৪৩), পঞ্চগ্ৰাস (১৯৪৪), মন্বতৰ (১৯৪৪), কবি (১৯৪৪), হনচুলি বেংকৰ উপকথা (১৯৫১), কালবৈশাখী (১৯৬৩), সংকেত (১৯৬৪), বিচিত্ৰ (১৯৬৫), অৰণ্যবহ্নি (১৯৬৬), পঞ্চপুতালী (১৯৫৬), ৰাবী (১৯৫৯), মহাশ্বেতা (১৯৬১), কালৰাত্ৰি (১৯৭০), অভিনেত্ৰী (১৯৭০) ইত্যাদি।

**চুটি গল্প** : চলনাময়ী (১৯৩৭), ৰসকলী (১৯৩৯), প্ৰতিধ্বনি (১৯৪৩), দিল্লী কা লাড্ডু (১৯৪৩), যাদুকৰী (১৯৪৪), প্ৰেমৰ গল্প (১৯৬১), তমশ (১৯৬ ৩), চিন্ময়ী (১৯৬৪), ৰামধেনু (১৯৪৭), জয়া (১৯৬৮) আদি।

**নাট্যপুথি** : কালিন্দী (১৯৪২), পথেৰ ডাক (১৯৪৩), দ্বীপান্তৰ (১৯৪৫), কালৰাত্ৰি (১৯৫৭) আদি।

**প্ৰবন্ধপুথি** : সাহিত্যৰ সত্য (১৯৬১), ভাৰতবৰ্ষ ও চীন (১৯৬৩), ৰবীন্দ্ৰনাথ ও বেংগলেৰ পাল্লি (১৯৭১)।

**আত্মজীৱনী** : অমৰ কালেৰ কথা (১৯৫১), বিচিত্ৰ স্মৃতিকাহিনী (১৯৫৩), অমৰ সাহিত্য জীৱন, খণ্ড-১ (১৯৫৩), অমৰ সাহিত্য জীৱন, খণ্ড-২ (১৯৬২), কিশোৰ স্মৃতি।

সাহিত্য ক্ষেত্ৰৰ বিভিন্ন দিশত তেওঁ বিভিন্ন পুৰস্কাৰেৰে তথা উপাধিৰে সন্মানিত হৈছিল। ১৯৫৫ চনত ৰবীন্দ্ৰ পুৰস্কাৰ, ১৯৫৬ চনত সাহিত্য অকাডেমী বঁটা আৰু ১৯৬৬ চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল। ১৯৬২ চনত পদ্মশ্ৰী আৰু ১৯৬৯ চনত পদ্মভূষণ উপাধিৰে তেওঁ সন্মানিত হৈছিল। ❑

# ইউৰোপ মহাদেশৰ কেইখনমান দেশৰ সংসদ আৰু সংসদ ভৱন

১। **দেশ** : ক্ৰ'ৱেছিয়া, **সংসদৰ নাম** : চেবৰ (Sabor) : **সংসদ ভৱনৰ নাম** : পাৰ্লিয়ামেণ্ট পেলেচ (Parliament Palace)।



২। **দেশ** : ডেনমাৰ্ক, **সংসদৰ নাম** : ফকেটিং (Folketing) : **সংসদ ভৱনৰ নাম** : খ্ৰিষ্টিয়ানবৰ্গ পেলেচ (Christianborg Palace)।



৩। **দেশ** : ফিনলেণ্ড, **সংসদৰ নাম** : এডুস্কুণ্টাটেল' (Eduskuntatalo) : **সংসদ ভৱনৰ নাম** : পাৰ্লিয়ামেণ্ট বিল্ডিং (Parliament Building)।



৪। **দেশ** : জাৰ্মানী, **সংসদৰ নাম** : বুন্দেষ্টেগ (Bundestag) : **সংসদ ভৱনৰ নাম** : ৰিখষ্টেগ্ বিল্ডিং (Richstag Building)।



৫। **দেশ** : বুলগেৰিয়া, **সংসদৰ নাম** : নেৰ'ড্নো চাব্ৰেনি (Narodno Subranie) : **সংসদ ভৱনৰ নাম** : নেছনেল এছেম্ব্লি বিল্ডিং (National Assembly Building)।



৬। **দেশ** : ফ্ৰান্স, **সংসদৰ নাম** : নেছনেল এচেম্ব্লি (National Assembly) : **সংসদ ভৱনৰ নাম** : পেলে বাৰবন (Palais Bourbon)।



# ভাৰতৰ কেইখনমান ৰাজ্যৰ ৰাজ্যিক জন্তু

১। **ৰাজ্য** : অন্ধ্ৰ প্ৰদেশ, **জন্তু** : কৃষ্ণ মৃগ



২। **ৰাজ্য** : বিহাৰ, **জন্তু** : গ'উৰ (ভাৰতীয় বাইছন)



৩। **ৰাজ্য** : গুজৰাট, **জন্তু** : সিংহ




৪। **ৰাজ্য** : হিমাচল, **জন্তু** : তুষাৰ নাহৰফুটুকী বাঘ



৫। **ৰাজ্য** : মিজোৰাম, **জন্তু** : হ'ল'ক গিবন



৬। **ৰাজ্য** : কৰ্ণাটক, **জন্তু** : হাতী



# প্ৰথম বিশ্বযুদ্ধৰ ১০০ বছৰ

■ কুশল গোস্বামী



বিশ্বৰ ইতিহাসৰ গতি সলনি কৰি দিয়া প্ৰথম বিশ্বযুদ্ধৰ ১০০ বছৰ যোৱা ৪ আগষ্ট তাৰিখে সম্পূৰ্ণ হয়। বিশ্বৰ অধিকাংশ দেশেই প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ পৰা এই বিশ্বযুদ্ধৰ ভয়াবহতাই আজিও সাধাৰণ লোকক শিহঁৰিত কৰি তোলে। প্ৰধানতঃ পশ্চিমীয়া দেশসমূহৰ ঔপনিৱেশিক মনোভাব তথা জাৰ্মান সম্ৰাট কাইজাৰ দ্বিতীয় উইলিয়ামৰ অহমিকাৰ বাবে এই মহাসমৰৰ সূচনা হৈছিল। এই মহাসমৰেই প্ৰায় ২ কোটি মানুহৰ জীৱন কাঢ়ি নিছিল। ইয়াৰ ভিতৰৰ প্ৰায় ১ কোটি ২০ লাখ সাধাৰণ লোক আৰু প্ৰায় ৮০ লাখ সৈনিক। প্ৰকৃততে এক বিশেষ ঘটনাৰ পৰাহে এই সৰ্বগ্ৰাসী যুদ্ধখন আৰম্ভ হৈছিল। অষ্ট্ৰিয়াৰ যুৱৰাজ আৰ্কডিউক ফাৰ্ডিনাণ্ডে পত্নীৰ সৈতে ১৯১৪ চনৰ জুন মাহত বোছনিয়াৰ ৰাজধানী চাৰাজাভোলৈ গৈছিল। তাতে এজন ছাৰ্ব লোকে দুয়োকে হত্যা কৰে। এই হত্যাকাণ্ডই হৈছে প্ৰথম বিশ্বযুদ্ধৰ তৎকালীন কাৰণ। ইয়াৰোপৰি দেশসমূহৰ সাম্ৰাজ্যবাদী মানসিকতা, শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ মানসিকতা, বিভিন্ন ঠাইত উপনিৱেশ পতাৰ অঘোষিত প্ৰতিযোগিতা আদিও এই বিশ্বযুদ্ধৰ অন্যতম কাৰণ বুলি ক'ব পাৰি। অষ্ট্ৰিয়াই আৰ্কডিউক ফাৰ্ডিনাণ্ডৰ হত্যাৰ কাৰণে ছাৰ্বিয়াক দোষাৰোপ কৰি ৪৮ ঘণ্টাৰ ভিতৰত কেতবোৰ চৰ্ত পূৰণৰ বাবে ছাৰ্বিয়ালৈ চৰম পত্ৰ প্ৰেৰণ কৰে। ছাৰ্বিয়াই তেওঁলোকৰ দেশৰ সাৰ্বভৌমত্ব উলংঘনকাৰী চৰ্তবোৰ মানি ল'বলৈ অস্বীকাৰ কৰে। ফলত ১৯১৪ চনৰ ২৮ জুলাইত অষ্ট্ৰিয়াই ছাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ইয়াকেই প্ৰথম বিশ্বযুদ্ধৰ সূত্ৰপাত বুলি ক'ব পাৰি। বন্ধু ৰাষ্ট্ৰ ছাৰ্বিয়াক আক্ৰমণ কৰাত ৰুচিয়াই ছাৰ্বিয়াক ৰক্ষা কৰিবলৈ যুদ্ধত যোগদান কৰে। আনহাতে জাৰ্মানীয়ে ৰুছিয়াক এই যুদ্ধৰপৰা বিৰত থাকিবলৈ আহ্বান জনায় যদিও বিফল হৈ ১৯১৪ চনৰ ১ আগষ্টত ছাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এই যুদ্ধত নিৰপেক্ষ ভূমিকা ল'বলৈ জাৰ্মানীয়ে ফ্ৰান্সক চৰম-পত্ৰ দিছিল যদিও কোনো উত্তৰ নোপোৱাত জাৰ্মানীয়ে ফ্ৰান্সৰ বিৰুদ্ধেও যুদ্ধ ঘোষণা কৰে। এই সময়লৈকে বেলজিয়াম আছিল এখন নিৰপেক্ষ ৰাষ্ট্ৰ। কিন্তু জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণৰ বাবে বেলজিয়ামৰ মাজেদি সৈন্যলৈ আগবঢ়াত বেলজিয়ামৰ লগতে ইংলেণ্ডো ক্ষুব্ধ হৈ পৰে। নিজকে সদায় বেলজিয়ামৰ অভিভাৱক ৰাষ্ট্ৰ হিচাপে গণ্য কৰা ইংলেণ্ডে অৱশেষত ১৯১৪ চনৰ ৪ আগষ্ট তাৰিখে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এনেদৰে ১৯১৪ চনৰ ৪ আগষ্টৰপৰা আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল প্ৰথম বিশ্বযুদ্ধ। এই বিশ্বযুদ্ধক কেন্দ্ৰ কৰি বিশ্বৰ দেশসমূহ দুটা শক্তিগোষ্ঠীত বিভক্ত হৈ পৰিছিল। এই শক্তিগোষ্ঠী দুটা হৈছে ত্ৰিপল আঁতাত আৰু ত্ৰিপল এলায়েন্স। ইংলেণ্ড, ফ্ৰান্স, ৰাছিয়া



আদি দেশসমূহে ত্ৰিপল আঁটাত শক্তিগোষ্ঠী গঠন কৰিছিল। আনহাতে জাৰ্মানী, অষ্ট্ৰিয়া, হাংগেৰী আদি দেশে ত্ৰিপল এলায়েন্স গঠন কৰিছিল। পিছত আমেৰিকা যুক্তৰাজ্যই ত্ৰিপল আঁটাতৰ হৈ যুদ্ধত অংশগ্ৰহণ কৰিছিল।

এই বিশ্বযুদ্ধত প্ৰায় ১৩৫ খন দেশে ভাগ লৈছিল। সুদীৰ্ঘ চাৰি বছৰ চাৰিমাহ ধৰি চলা যুদ্ধখন অৱশেষত ১৯১৮ চনৰ ১১ নৱেম্বৰত সামৰণি পৰিছিল। ১১ নৱেম্বৰত জাৰ্মানীয়ে অস্ত্ৰবিৰতি ঘোষণা কৰাৰ লগে লগে যুদ্ধৰ অৱসান হৈছিল। এই যুদ্ধত মিত্ৰশক্তিৰ হাতত জাৰ্মানী নেতৃত্বাধীন ত্ৰিপল এলায়েন্স পৰাজিত হৈছিল। এই যুদ্ধত ৪০ কোটিতকৈও অধিক লোক গুৰুতৰভাৱে আহত হৈছিল। তদুপৰি কেইবাখনো দেশ আৰ্থিকভাৱে জুৰুলা হৈ পৰিছিল। এই বিশ্বযুদ্ধৰ পৰিণতি হিচাপে ১৯২০ চনৰ ১০ জানুৱাৰি তাৰিখে জাতিসংঘৰ জন্ম হৈছিল। ❑

## প্ৰথম বিশ্বযুদ্ধৰ কেইটামান উল্লেখযোগ্য তথ্য

- এই যুদ্ধত প্ৰায় ৩ কোটি ৫০ লাখ লোকে অংশগ্ৰহণ কৰিছিল।
- অংশগ্ৰহণকাৰী সৈন্যৰ প্ৰায় দুই-তৃতীয়াংশই মৃত্যুমুখত পৰিছিল।
- ৰাছিয়াৰ সেনাবাহিনী আটাইতকৈ বিশাল আছিল। (এক কোটি বিছ লাখ)
- বেলজিয়ামত হোৱা এক বিস্ফোৰণত এটা প্ৰায় চল্লিছ ফুট দ গাঁতৰ সৃষ্টি হৈছিল। ইয়াক এতিয়া 'পুল অৱ পীচ' (Pool of Peace) বুলি জনা যায়।
- টেংকবিলাকক আগতে স্থল জাহাজ বুলি জনা গৈছিল। এই স্থল জাহাজবোৰক শত্ৰু সৈন্যৰ চকুত ধূলি মাৰিবলৈ পানীৰ টেংকৰ দৰে আকৃতি দিয়া হৈছিল। ব্ৰিটিছবিলাকে ইয়াক টেংক নামেৰে অভিহিত কৰে।
- এই যুদ্ধত আটাইকেইখন মহাসাগৰেই ব্যৱহৃত হৈছিল।
- ফৰাচীসকলে প্ৰথমে এই যুদ্ধত শত্ৰু সৈন্যৰ ওপৰত বিষাক্ত গেছ প্ৰয়োগ কৰিছিল।
- এই যুদ্ধত প্ৰায় পাঁচ লাখ পাৰ চৰাই বাৰ্তাবাহক হিচাপে ব্যৱহৃত হৈছিল।
- এডিথ কাৰ্ভেল নামৰ নাৰ্চগৰাকীয়ে শত্ৰু-মিত্ৰ সকলোৰে আহত সৈনিকক শুশ্ৰূষা কৰিছিল। শত্ৰুপক্ষৰ সৈনিকক শুশ্ৰূষা কৰাৰ বাবে জাৰ্মানসকলে তেওঁক মৃত্যুদণ্ড দিছিল।
- এই যুদ্ধৰ পিছতেই ৰাছিয়া ইউ এছ এছ আৰলৈ (Union of Soviet Socialist Republic) পৰিৱৰ্তন হয়।
- এই যুদ্ধৰ পৰিণতি হিচাপে ফিনলেণ্ড, এষ্টʼনিয়া, লেটিভা, লিথুৱানিয়া, পʼলেণ্ড আদি দেশে স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লাভ কৰে।


# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন


নিৰ্দেশনা (প্ৰশ্ন 1 ৰপৰা 4লৈ)

প্ৰশ্নসমূহত তিনিটাকৈ সমস্যা চিত্ৰ আৰু চতুৰ্থটো ‘?’ চিন দিয়া আছে। প্ৰথম দুটা চিত্ৰত যি ধৰণৰ সম্পৰ্ক আছে তৃতীয় আৰু চতুৰ্থটোত সেই একে ধৰণৰ সম্পৰ্ক থাকিব। উত্তৰ চিত্ৰসমূহৰপৰা চতুৰ্থ চিত্ৰটো নিৰ্ণয় কৰাঁ।


1.





উত্তৰ চিত্ৰ




2.





উত্তৰ চিত্ৰ




3.





উত্তৰ চিত্ৰ



4.




উত্তৰ চিত্ৰ




নিৰ্দেশনা (প্ৰশ্ন 5 ৰপৰা 4লৈ)

প্ৰশ্নসমূহৰ '?' চিনৰ ঠাইত উত্তৰ চিত্ৰসমূহৰ কোনটো চিত্ৰ বহিব?

5.




উত্তৰ চিত্ৰ




(a) (b) (c) (d) (e)

6.



উত্তৰ চিত্ৰ



**উত্তৰসমূহ :**

1) (e) 2) (c) 3) (c) 4) (b) 5) (a) 6) (b)

# বাকিংহাম পেলেচ (Bukingham Palace)

■ নৱনীতা গোস্বামী



ইংলেণ্ডৰ ৰাজতন্ত্ৰৰ প্ৰতীকস্বৰূপ 'বাকিংহাম পেলেচ' বিশ্বৰ অনবদ্য স্থাপত্য তথা ঐতিহাসিক বৈশিষ্ট্য সম্বলিত এক স্থাপত্য। ব্ৰিটিছ সাম্ৰাজ্যৰ সফলতা-বিফলতা তথা ইংলেণ্ডৰ ৰাজপৰিয়ালৰ ৰহস্যসমৃদ্ধ ইতিহাসৰ সাক্ষী এই বিশাল 'বাকিংহাম পেলেচ'।

১৮৩৭ চনৰপৰা 'বাকিংহাম পেলেচ' ব্ৰিটিছ যুক্তৰাজ্যৰ অধিপতিসকলৰ শাসকীয় বাসভৱন তথা প্ৰশাসনিক মুখ্য কাৰ্যালয় হিচাপে ব্যৱহৃত হৈ আহিছে। এই ভৱনটোৰ পৰাই বৰ্তমান শাসনাধিষ্ঠিত মহাৰাণী দ্বিতীয় এলিজাবেথে যুক্তৰাজ্যখনৰ আৰু কমনৱেলথৰ প্ৰধান হিচাপে তেওঁৰ দায়িত্ব পালন কৰি আহিছে। বাকিংহাম পেলেচ ব্ৰিটেইনৰ সাংবিধানিক ৰাজতন্ত্ৰৰ শক্তিশালী স্তম্ভস্বৰূপ। মহাৰাণী দ্বিতীয় এলিজাবেথ আৰু এডিনবাৰ্গৰ ডিউক তথা তেওঁলোকৰ পৰিয়ালবৰ্গ তথা নিকট আত্মীয়সকলৰ দৈনন্দিন কাম-কাজ নিয়াৰিকৈ পালন কৰাৰ দায়িত্বত থকা আটাইকেইটা কাৰ্যালয় এই প্ৰাসাদৰ ভিতৰতেই অৱস্থিত।

১৭৬১ চনত ব্ৰিটিছ যুক্তৰাজ্যৰ মহাৰজা জৰ্জ তৃতীয়ই তেওঁৰ পত্নী মহাৰাণী ছাৰলোট্‌ৰ (Charlotte) অৱসৰ বিনোদনৰ অৰ্থে বাকিংহাম ভৱনটো ক্ৰয় কৰে। সেই সময়ত ব্ৰিটিছ ৰাজ দৰবাৰৰ কাম-কাজ ওচৰতে অৱস্থিত 'চেইণ্ট জেমচ্ পেলেচ'ৰ পৰা চলোৱা হৈছিল। ১৭৬২ চনত ছাৰ উইলিয়াম চেম্বাৰছে (Sir William Chambers) বনোৱা নক্সা অনুসৰি ভৱনটো মহাৰাজৰ প্ৰয়োজন অনুসৰি পুনৰ্নিৰ্মাণ কৰা হয়। তাৰ পাছত ১৮২৬ চনত মহাৰজা চতুৰ্থ জৰ্জে 'জ'ন নেশ্ব (John Nash) নামৰ এজন স্থাপত্যবিদৰ সহযোগত বাকিংহাম ভৱনটো এটা বাসগৃহৰ সলনি এটা ৰাজপ্ৰাসাদৰ আকৃতিত পুনৰ্নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জ'ন নেশ্বে ভৱনটোৰ প্ৰধান ভৱনটো আগৰ ধৰণে ৰাখি তাৰ পশ্চিম দিশত এলানি নতুন কক্ষ যোগ কৰে। বাকিংহাম ভৱনৰ উত্তৰ আৰু দক্ষিণ দিশত অৱস্থিত কক্ষসমূহ ভাঙি পেলোৱা হয় আৰু তাৰ ঠাইত মাৰ্বল পাথৰৰ বৃহৎ আকাৰৰ কক্ষ নিৰ্মাণ কৰা হয়। মহাৰাজ চতুৰ্থ জৰ্জে কিন্তু এই ৰাজপ্ৰাসাদ নিজৰ বাসভৱন হিচাপে ব্যৱহাৰ কৰা নাছিল। ১৮৩৭ চনৰ জুলাই মাহত মহাৰাণী ভিক্টোৰিয়াই নৱনিৰ্মিত 'বাকিংহাম পেলেচ'ত প্ৰৱেশ কৰে আৰু ৰাজপ্ৰাসাদটোত বাস কৰা প্ৰথমগৰাকী ৰাজ-অধিপতি হিচাপে চিহ্নিত হয়। বাকিংহাম ৰাজপ্ৰাসাদৰ সন্মুখৰ চৌহদ তথা ইয়াৰ প্ৰৱেশ পথ আৰু দেৱালসমূহৰ কাম ১৯১১ চনত আৰম্ভ কৰা হয় আৰু ১৯১৪ চনত আৰম্ভ হোৱা প্ৰথম বিশ্বযুদ্ধৰ ঠিক আগে আগে সম্পূৰ্ণ কৰি তোলা হয়।

মহাৰাণী আৰু এডিনবাৰ্গৰ ডিউক বাকিংহাম পেলেচৰ উত্তৰভাগত অৱস্থিত ব্যক্তিগত বাসভৱনটোত থাকে। ওপৰ মহলাৰ উত্তৰ আৰু পূব দিশত অৱস্থিত কোঠালিসমূহত ৰাজপৰিয়ালৰ অন্যান্য সদস্যসকল থাকে। প্ৰাসাদটোৰ তলৰ মহলা আৰু দক্ষিণভাগৰ কোঠালিকেইটা পৰিয়ালৰ কৰ্মকৰ্তাসকলে ব্যৱহাৰ কৰে। বাকিংহাম পেলেচৰ মুখ্য কোঠালিকেইটা ৰাজসভাৰ অনুষ্ঠানসমূহৰ বাবে ব্যৱহাৰ কৰা হয়। প্ৰাসাদটোত সৰ্বমুঠ ৭৭৫টা কোঠা আছে। ইয়াৰ ভিতৰত আছে ১৭টা

ষ্টেটৰুম অৰ্থাৎ মুখ্য কোঠালি, ৫২টা ৰাজকীয় আৰু অতিথি শোৱনি কোঠা, কৰ্মকৰ্তাসকলৰ বাবে ১৮৮টা কোঠা, ৭২টা কাৰ্যালয় আৰু ৭৮টা স্নানাগাৰ।

বাকিংহাম পেলেচৰ 'ষ্টেটৰুম'সমূহক (State Room) প্ৰাসাদটোৰ মুখ্য কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰা হয়। দেশৰ প্ৰশাসনিক আৰু ৰাজকীয় কাম-কাজৰ বাবে মহাৰাণী আৰু ৰাজপৰিয়ালৰ সদস্যসকলে এইসমূহ ব্যৱহাৰ কৰে।

'ষ্টেটৰুম'ৰ পিছত প্ৰাসাদটোৰ আন এটি গুৰুত্বপূৰ্ণ কোঠা হৈছে 'থ্ৰোন ৰুম' (Throne Room) অৰ্থাৎ 'সিংহাসন কক্ষ' য'ত ৰাজতন্ত্ৰৰ মুৰব্বীজনৰ সিংহাসনখন সজাই থোৱা হয়। এই কোঠাটো মহাৰাণীয়ে জয়ন্তী উদ্‌যাপন, ৰাজ অভিভাষণ আদিৰ দৰে বিশেষ অনুষ্ঠানসমূহৰ বাবে ব্যৱহাৰ কৰে।

ইয়াৰোপৰি প্ৰাসাদটোৰ ভিতৰত এটা 'ব'ল ৰুম' আছে য'ত স্মৃতিচাৰণ অনুষ্ঠান তথা নৃত্য, গীত, নাট্যাভিনয় আদি আয়োজিত হয়। 'ব'ল ৰুম'ত ইনভেচটিটিউৰ (Investiture) শীৰ্ষক এক গুৰুত্বপূৰ্ণ অনুষ্ঠান আয়োজিত হয়। এই অনুষ্ঠানত মহাৰাণী অথবা তেওঁৰ প্ৰতিনিধি হিচাপে 'প্ৰিন্স অৱ ৱেলচে' (Prince of Wales) বছৰটোৰ কেইজনমান নিৰ্বাচিত ব্যক্তিক 'নাইটহুড' (Nighthood) উপাধি তথা সন্মান প্ৰদান কৰে।

ব্ৰিটেইনৰ অন্যতম সৌন্দৰ্য তথা আকৰ্ষণ 'বাকিংহাম পেলেচ'ৰ দৃশ্য উপভোগ কৰিবলৈ প্ৰতি বছৰে প্ৰায় ৫০,০০০ দৰ্শনাৰ্থী উপস্থিত হয়। 'বাকিংহাম পেলেচ' বিশ্বপ্ৰসিদ্ধ আচবাব, সামগ্ৰী, চিত্ৰশিল্প আদিৰে সমৃদ্ধ যদিও প্ৰাসাদটো প্ৰদৰ্শনী গৃহ বা সংগ্ৰহালয় হিচাপে পৰিগণিত নহয়। বাকিংহাম পেলেচ ৰাজকীয় আভিজাত্যৰ এক শক্তিশালী নিদৰ্শন। ❑

## তোমালোকে জানানে?

- অসমৰ প্ৰথম অসমীয়া পত্ৰোপন্যাস : বিষ্ণুকিংকৰ কলিতাৰ **চিন্তা**।
- অসমীয়া ভাষাৰ সাহিত্য অকাডেমীৰ পুৰস্কাৰ পোৱা প্ৰথম উপন্যাস : বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ **ঈয়াৰুইংগম**।
- অসমীয়ালৈ অনূদিত হোৱা প্ৰথম ইংৰাজী উপন্যাস : Pilgrims Progress (অনুবাদ **যাত্ৰিকৰ যাত্ৰা**)
- হিন্দীলৈ অনূদিত প্ৰথম অসমীয়া শিশু উপন্যাস : প্ৰেমনাৰায়ণ দত্তৰ **পোহৰৰ বাটত**।
- প্ৰথম অসমীয়া উপন্যাস : পদ্মনাথ গোহাঞিবৰুৱাৰ **ভানুমতী**।
- প্ৰথম অসমীয়া আধুনিক নাটক : গুণাভিৰাম বৰুৱাৰ **ৰাম নৱমী**।
- প্ৰথম আধুনিক অসমীয়া সমালোচনামূলক গ্ৰন্থ : লক্ষ্মীনাথ বেজবৰুৱাৰ **শংকৰদেৱ**।
- প্ৰথম অসমীয়া সাদিনীয়া সংবাদপত্ৰ : **আসাম মিহিৰ** (১৮৭২-৭৩)
- প্ৰথম অসমীয়া ৰাজনৈতিক বাতৰি কাকত : **দ্য এডভোকেট অৱ আসাম** (The Advocate of Assam)।
- প্ৰথম অসমীয়া মহিলা বাতৰি কাকত : **উৰুলি**, সম্পাদক : হেমচন্দ্ৰ শৰ্মা।
- প্ৰথম অসমীয়া পযেকীয়া আলোচনী : **জয়ন্তী** (১৯৪৬)
- অসমৰ বাহিৰত প্ৰথম প্ৰকাশ হোৱা অসমীয়া আলোচনী : **জোনাকী**।

**নিৰ্দেশনা :** তলৰ অনুক্ৰমসমূহৰ '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

1.

| | | | | |
|---|---|---|---|---|
| $\frac{1}{4}$ | | | ? | |

উত্তৰ চিত্ৰ

| | | | | |
|---|---|---|---|---|
| | | | | |
| (a) | (b) | (c) | (d) | (e) |

2.

| | | | | |
|---|---|---|---|---|
| | | | ? | |

উত্তৰ চিত্ৰ

| | | | | |
|---|---|---|---|---|
| | | | | |
| (a) | (b) | (c) | (d) | (e) |

3.

| | | | | |
|---|---|---|---|---|
| | | | ? | |

উত্তৰ চিত্ৰ

| | | | | |
|---|---|---|---|---|
| | | | | |
| (a) | (b) | (c) | (d) | (e) |

**উত্তৰসমূহ :**
1) (a) 2) (c) 3) (d)

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 1 | | | | | 6 | |
| | 6 | | 9 | | | | | 3 |
| 5 | | | | | | | 9 | |
| | | | | 9 | 8 | | | |
| 1 | 2 | | | | | 6 | 4 | |
| | | 8 | | | 6 | 5 | | |
| 6 | | | 8 | | | | | 5 |
| | | 2 | | | | 3 | 8 | |
| 8 | | 5 | | | 9 | 2 | 7 | 4 |

## চুড'কু ১৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | | | | 6 | |
| | | | 9 | 1 | | 3 | | |
| | 2 | 1 | | | | 8 | 4 | |
| | | | | 2 | 5 | | | 8 |
| | 5 | | | 9 | | | 1 | |
| 7 | | | 3 | 6 | | | | |
| | 7 | 2 | | | | 6 | 9 | |
| | | 4 | | 3 | 2 | | | |
| | 8 | | | | | | | |

## চুড'কু ১৩ আৰু ১৪ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 2 | 3 | 1 | 9 | 4 | 8 | 7 | 5 |
| 8 | 1 | 7 | 6 | 2 | 5 | 3 | 9 | 4 |
| 9 | 5 | 4 | 7 | 8 | 3 | 2 | 1 | 6 |
| 3 | 6 | 8 | 9 | 1 | 2 | 5 | 4 | 7 |
| 4 | 7 | 2 | 8 | 5 | 6 | 9 | 3 | 1 |
| 5 | 9 | 1 | 4 | 3 | 7 | 6 | 8 | 2 |
| 1 | 3 | 5 | 2 | 4 | 8 | 7 | 6 | 9 |
| 2 | 4 | 6 | 3 | 7 | 9 | 1 | 5 | 8 |
| 7 | 8 | 9 | 5 | 6 | 1 | 4 | 2 | 3 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 3 | 4 | 6 | 7 | 8 | 9 | 1 | 2 |
| 6 | 7 | 2 | 1 | 9 | 5 | 3 | 4 | 8 |
| 1 | 9 | 8 | 3 | 4 | 2 | 5 | 6 | 7 |
| 8 | 5 | 9 | 7 | 6 | 1 | 4 | 2 | 3 |
| 4 | 2 | 6 | 8 | 5 | 3 | 7 | 9 | 1 |
| 7 | 1 | 3 | 9 | 2 | 4 | 8 | 5 | 6 |
| 9 | 6 | 1 | 5 | 3 | 7 | 2 | 8 | 4 |
| 2 | 8 | 7 | 4 | 1 | 9 | 6 | 3 | 5 |
| 3 | 4 | 5 | 2 | 8 | 6 | 1 | 7 | 9 |

**শুদ্ধ উত্তৰ দিওঁতা :** অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) মানসী ৰয় (৮ম), জুৰি কলিতা (৮ম), সিদ্ধাৰ্থ দত্ত (৫ম), নিশামণি মহন্ত (১০ম), দিব্যজ্যোতি কলিতা (৮ম), অনুভৱ গগৈ (৭ম), নয়নমণি কলিতা (৭ম), পৰিস্মিতা বৈশ্য (৮ম), অংকিতা কলিতা (৮ম), মৃন্ময় কলিতা (৮ম), ৰিকি বৰ্মন (৬ষ্ঠ), ভায়োলিনা কলিতা (৭ম), ধীৰুস্মিতা বৰ্মন (৮ম), চিমি দাস (৭ম), অভিষেক নাথ (৮ম), পূজা চক্ৰৱৰ্তী (৮ম), মৃগাক্ষী চক্ৰৱৰ্তী (৮ম), পূজা তালুকদাৰ (৮ম), হৃদয়জ্যোতি ডেকা (৭ম), অংকিতা বৰুৱা (৭ম), মানস প্ৰতীম বৰুৱা (৭ম), দীপশিখা তালুকদাৰ (৭ম), উপমা শৰ্মা (৭ম), দিক্ষীতা শৰ্মা (৮ম), গৌৰৱ কুমাৰ ভট্টাচাৰ্য (৯ম), চন্দ্ৰিকা কলিতা (৭ম), জ্যোতিৰ্ময় ডেকা (৭ম), চিমি কলিতা (৬ষ্ঠ), ছন্দময় মহন্ত (৭ম), ৰূপাঞ্জলি কলিতা (৯ম), নৈমিষা চুতীয়া (৭ম), লিওজিত ডেকা (৫ম), অংকুৰ গোস্বামী (৮ম), দেৱাশীষ শৰ্মা (৫ম), কুনাল ডেকা (৬ষ্ঠ), ভৃগু কুমাৰ ডেকা (৯ম), কৰণ চৌধুৰী (৭ম), পংকজ ভূঞা (৫ম), কৌস্তভ মহন্ত (৭ম), শ্ৰুতি শৰ্মা (৬ষ্ঠ)।

# ভাৰতৰ ইতিহাসৰ কেইটামান উল্লেখযোগ্য চন আৰু ইয়াৰ লগত জড়িত ঘটনা

১৬০০ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী স্থাপন।

১৬১২ চুৰাটত প্ৰথম ব্ৰিটিছ উদ্যোগটো স্থাপন হয়।

১৬৫৮-১৭০৭ ঔৰংজেৱৰ শাসন কাল।

১৬৬৭-৬৮ চুৰাটত ফৰাচীসকলৰ প্ৰথম কাৰখানা স্থাপন।

১৭১৭ বংগ, চেন্নাই আৰু মুম্বাইত ব্ৰিটিছে বিনাশুল্কে বাণিজ্য কৰাৰ অনুমতি লাভ।

১৭৫৭ পলাশীৰ যুদ্ধ।

১৭৬১ পানিপতৰ তৃতীয় যুদ্ধ।

১৭৬৪ বক্সাৰ যুদ্ধ।

১৭৬৫ মোগল সম্ৰাট শ্বাহ আলমৰ দ্বাৰা বংগ আৰু উৰিষ্যাৰ দেৱানী প্ৰদান।

১৭৭২ ৱাৰেণ হেষ্টিংচক ব্ৰিটিছ ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি প্ৰদান।

১৭৮৪ 'পীটছ্ ইণ্ডিয়া বিল' ব্ৰিটিছ পাৰ্লিয়ামেণ্টত পাছ হয়।

১৮২৮-৩৫ গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকৰ শাসনকাল।

১৮২৯ ৰাজা ৰামমোহন ৰায়ৰদ্বাৰা ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠা।

১৮৩৫ ইংৰাজী ভাষাক চৰকাৰী ভাষা হিচাপে প্ৰবৰ্তন।

১৮৩৯ ৰণজিৎ সিংজীৰ দেহাৱসান।

১৮৫৪ ভাৰতত প্ৰথম ডাক টিকট প্ৰচলন।

১৮৫৬ বিধবা বিবাহৰ প্ৰচলন (ব্ৰিটিছৰদ্বাৰা)।

১৮৫৭ চিপাহী বিদ্ৰোহ।

১৮৫৮ ভাৰতবৰ্ষৰ শাসন ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা ইংলণ্ডৰ ৰাণীলৈ হস্তান্তৰ।

১৮৬৯ মহাত্মা গান্ধীৰ জন্ম।

১৮৭৪ বংগৰ বিখ্যাত দুৰ্ভিক্ষ।

১৮৭৫ স্বামী দয়ানন্দ সৰস্বতীৰদ্বাৰা আৰ্য সমাজ প্ৰতিষ্ঠা।

১৮৮৫ বোম্বেত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা।

১৮৯৩ স্বামী বিবেকানন্দৰ আন্তঃৰাষ্ট্ৰীয় সৰ্বধৰ্ম সন্মিলনত (চিকাগ') অংশগ্ৰহণ।

১৯০৫ বংগ বিভাজন : বিভাজন বিৰোধী আন্দোলন।

১৯০৬ মুছলীম লীগ গঠন।

১৯০৭ জাতীয় কংগ্ৰেছ নৰমপন্থী আৰু চৰমপন্থী দুটা ভাগত বিভাজিত।

১৯০৯ ম'ৰ্লে-মিণ্ট' (Morley-Minto) সংস্কাৰ।

১৯১১ বংগ-ভংগ আঁচনি বাতিল।

১৯১৪ মহাত্মা গান্ধীৰ দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যাগমন।

১৯১৮ ম'ণ্টগ'-চেম্চ ফ'ৰ্ড সংস্কাৰ (Montague-Chemsford Reforms)

১৯১৯ জালিৱানাৱালাবাগৰ হত্যাকাণ্ড।

১৯২০-২২ অসহযোগ আন্দোলন, খিলাফট আন্দোলন।

১৯৩০ আইন অমান্য (Civil-disobedience) আন্দোলন।

১৯৩১ প্ৰথম ঘূৰণীয়া মেজমেল, গান্ধী আৰউইন চুক্তি (Gandhi Irwin Pact)।

১৯৩৫ 'ভাৰত চৰকাৰ আইন' গৃহীত হয়।

১৯৩৭ স্বায়ত্ত শাসনৰ (Provincial Autonomy) প্ৰবৰ্তন, ব্ৰহ্মদেশ ভাৰতবৰ্ষৰপৰা পৃথক হয়।

১৯৪২ ভাৰত ত্যাগ আন্দোলন আৰম্ভ। ক্ৰিপ্‌ছ মিশ্বন (Cripps Mission) আৰম্ভ।

১৯৪৬ কেবিনেট মিশ্বনৰ আঁচনি (Cabinets Mission's) জৱাহৰলাল নেহৰুক প্ৰধানমন্ত্ৰী হিচাপে লৈ অন্তৰ্ৱৰ্তীকালীন চৰকাৰ গঠন।

১৯৪৭ ভাৰত বিভাজন। ভাৰতবৰ্ষৰ স্বাধীনতা লাভ। জৱাহৰলাল নেহৰু স্বাধীন ভাৰতৰ প্ৰধানমন্ত্ৰী হয়। পাকিস্তানৰ কাশ্মীৰ আক্ৰমণ। কাশ্মীৰ ভাৰতবৰ্ষৰ লগত চামিল।

১৯৪৮ নাথুৰাম গড্‌ছেৰদ্বাৰা মহাত্মা গান্ধীৰ হত্যা।

১৯৪৯ ভাৰতবৰ্ষৰ সংবিধান গৃহীত হয়।

১৯৫০ ভাৰতবৰ্ষ গণৰাজ্যত পৰিণত। ❑

# কমনৱেলথ্ গেমছ্-২০১৪

**■ ভবেশ্বৰ গোস্বামী**




আগষ্ট মাহৰ ৩ তাৰিখে সামৰণি পৰিল স্কটলেণ্ডত অনুষ্ঠিত হোৱা ২০তম কমনৱেলথ গেমছৰ। ১১ দিন ধৰি চলা এই প্ৰতিযোগিতাত বিশ্বৰ ৭১ খন দেশৰ ৪৯৪৭ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। এইবাৰ মুঠ ৩৭ খন দেশে পদক তালিকাত নিজৰ নাম লিপিবদ্ধ কৰে। ইংলেণ্ডে ২৮ বছৰৰ পিছত অষ্ট্ৰেলিয়াক শীৰ্ষস্থানৰ পৰা অৱনমিত কৰি শীৰ্ষস্থান দখল কৰে। দেশখনে ৫৮টা স্বৰ্ণসহ ১৭৪টা পদক অৰ্জন কৰে। অষ্ট্ৰেলিয়াই ৪৯টা স্বৰ্ণৰে মুঠ ১৩৭টা পদক জয়েৰে দ্বিতীয় স্থান লাভ কৰে। কানাডাই ৩২টা স্বৰ্ণৰে মুঠ ৮২টা পদক লাভ কৰি তৃতীয় স্থানত থাকে। আয়োজক স্কটলেণ্ডে ১৯টা স্বৰ্ণৰে মুঠ ৫৩টা পদক লাভ কৰি চতুৰ্থ আৰু ভাৰতে ১৫টা স্বৰ্ণসহ মুঠ ৬৪টা পদক জয়েৰে পঞ্চম স্থান লাভ কৰে। এইবাৰৰ প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ এথলেটৰ ডেভিদ ডিক্সন বঁটা লাভ কৰে ৰেলছৰ ৰিডমিক জিমনাষ্ট ফ্ৰান্সেছকো জ'নছে। তেওঁ এটা স্বৰ্ণৰ লগতে পাঁচটা ৰূপৰ পদক লাভ কৰে।

যদি যোৱাবাৰৰ নতুন দিল্লীত অনুষ্ঠিত ২০১০ চনৰ কমনৱেলথ গেমছৰ প্ৰদৰ্শনৰ সৈতে এইবাৰৰ ভাৰতৰ প্ৰদৰ্শন তুলনা কৰা হয়, তেন্তে পদকৰ যথেষ্ট ব্যৱধান দেখা যাব। ২০১০ চনত ৩৮টা স্বৰ্ণ, ২৭টা ৰূপ আৰু ৩৬টা ব্ৰঞ্জৰ পদকেৰে ভাৰত আছিল পদকৰ তালিকাত দ্বিতীয় স্থানত। তাৰ তুলনাত এইবাৰ ভাৰতে পালে ১৫টা স্বৰ্ণ, ৩০টা ৰূপ আৰু ১৯টা ব্ৰঞ্জৰ পদক। তথাপিও এইবাৰ ভাৰতৰ প্ৰদৰ্শন সন্তোষজনক বুলিয়ে ক'ব লাগিব। কিয়নো কমনৱেলথ গেমছলৈ ভাৰতীয় দলটো ৰাওনা হোৱাৰ পূৰ্বে লক্ষ্য আছিল শীৰ্ষৰ পাঁচখন দেশৰ মাজত স্থান পোৱা আৰু সেই লক্ষ্যত দলটো উপনীত হ'ব পাৰিছে।

গ্লাছগ'ত আশা কৰা মতে ভাৰতে শ্যুটিঙত সৰ্বাধিক পদক লাভ কৰে। টুৰ্ণামেণ্টখনত ভাৰতীয় শ্যুটাৰে পায় মুঠতে ১৭টা পদক য'ত আছে চাৰিটা স্বৰ্ণ, ৯টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক। তাৰ পিছতে মল্লযুঁজত ভাৰতে ৫টা স্বৰ্ণ, ৬টা ৰূপ আৰু ২টা ব্ৰঞ্জৰ পদকেৰে মুঠতে ১৩টা পদক লাভ কৰে। ভাৰোত্তোলনত আছিল আশা কৰাতকৈ ভাল প্ৰদৰ্শন। এইটো ইভেণ্টত ভাৰতে পায় ১২টা পদক। ঠিক তেনেদৰে জুডোত ৪টা পদকেৰে পূৰ্বতকৈ অধিক সফলতা লাভ কৰে। বেডমিণ্টনত ১৯৮২ চনত ছৈয়দ মোডীয়ে পুৰুষৰ ছিংগলছৰ স্বৰ্ণপদক পোৱাৰ ৩২ বছৰ পিছত এইবাৰ পুৰুষৰ ছিংগলছৰ স্বৰ্ণপদক পালে পৰুপল্লী কাশ্যপে।

**পদকৰ তালিকাত থকা শীৰ্ষ দহখন দেশ :**

**ইংলেণ্ড স্বৰ্ণ ৫৮, ৰূপ ৫৯, ব্ৰঞ্জ ৫৭; অষ্ট্ৰেলিয়া স্বৰ্ণ ৪৯, ৰূপ ৪২, ব্ৰঞ্জ ৪৬; কানাডা স্বৰ্ণ ৩২, ৰূপ ১৬, ব্ৰঞ্জ ৩৪; স্কটলেণ্ড স্বৰ্ণ ১৯, ৰূপ ১৫, ব্ৰঞ্জ ১৯; ভাৰত স্বৰ্ণ ১৫, ৰূপ ৩০, ব্ৰঞ্জ ১৯; নিউজিলেণ্ড স্বৰ্ণ ১৪, ৰূপ ১৪, ব্ৰঞ্জ ১৭; দক্ষিণ আফ্ৰিকা স্বৰ্ণ ১৩, ৰূপ ১০, ব্ৰঞ্জ ১৭; নাইজেৰিয়া স্বৰ্ণ ১১, ৰূপ ১১, ব্ৰঞ্জ ১৪; কেনিয়া স্বৰ্ণ ১০, ৰূপ ১০, ব্ৰঞ্জ ৫; জামাইকা স্বৰ্ণ ১০, ৰূপ ৪, ব্ৰঞ্জ ৮।**

ব্ৰিটেইনৰ ৰাজকুমাৰ এডৱাৰ্ডে আনুষ্ঠানিকভাৱে ২০ সংখ্যক কমনৱেলথ গেমছৰ সামৰণি পৰা বুলি ঘোষণা কৰে। লগতে ২১ সংখ্যক কমনৱেলথ, ২০১৮ চনত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। ইয়াৰ লগে লগে এই ক্ৰীড়া সমাৰোহ পাঁচবাৰ আয়োজন কৰা প্ৰথম দেশ হিচাপে অষ্ট্ৰেলিয়াই কৃতিত্ব অৰ্জন কৰিব। ❑

# বিশ্ব ইতিহাসৰ এক সম্পূৰ্ণ অধ্যায়ৰ নায়ক 'চেংগিছ খাঁ'

■ গায়ত্ৰী শইকীয়া



চেংগিজ খাঁ কোন? প্ৰশ্নটোৰ সাধাৰণ উত্তৰ হয়—চেংগিজ খাঁ এজন দিগ্বীজয়ী বীৰ, নগৰ ধ্বংসকাৰী আৰু সহস্ৰলোকৰ হত্যাকাৰী। কিন্তু মঙ্গোলসকলৰ বাবে চেংগিজ খাঁ সৰ্বকালৰ শ্ৰেষ্ঠতম নেতা। চেংগিজ খাঁ নামৰ বিশ্ব বুৰঞ্জীৰ নায়কগৰাকীয়ে মঙ্গোলসকলৰ অতীত গৌৰৱৰ স্মৃতি উদ্ধাৰ কৰি জাতিটোক ভৱিষ্যতৰ সন্ধান দিব পৰা এক জাতীয় পৰিচয় দান কৰিছিল।

মঙ্গোলসকল হ'ল—বিভিন্ন জনগোষ্ঠী আৰু ভাষা-ভাষীৰ সমষ্টি। পূৰ্বৰ টাটাৰ, খিটান, মাঞ্চু আৰু পশ্চিমৰ তুৰ্কী জনজাতিৰ লগত ভাষাৰ ফালৰপৰা তেওঁলোকৰ সম্পৰ্ক আছে। তেওঁলোকে মধ্য এছিয়াৰ ষ্টেপ (তৃণভূমি) অঞ্চলত অঘৰী জীৱন কটাইছিল। মঙ্গোলসকলে চেংগিজ খাঁৰ নেতৃত্বত ত্ৰয়োদশ শতিকাত এছিয়া আৰু ইউৰোপৰ বহু অঞ্চল সামৰি এখন সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

চেংগিছ খাঁৰ জন্ম হৈছিল ১১৬২ খ্ৰিষ্টাব্দত। তেওঁ মঙ্গোলসকলক একত্ৰিত কৰি নিজ দেশখন চীনৰ কবলৰপৰা মুক্ত কৰিছিল। তেওঁলোকৰ বাসস্থান আছিল মঙ্গোলীয়াৰ উত্তৰফালে থকা অনন নামৰ নদী এখনৰ ওচৰত। চেংগিজ খাঁৰ দেউতাক আছিল কিয়াত নামৰ এক জনগোষ্ঠীৰ মুৰব্বী। চেংগিজৰ সৰুকালৰ নাম আছিল টেমুজিন। নিজস্ব শক্তি আৰু প্ৰতিভাৰ বাবে টেমুজিনক মঙ্গোলীয়সকলে 'চেংগিজ খাঁ' উপাধি প্ৰদান কৰে। চেংগিজ খাঁৰ অৰ্থ হ'ল বিশ্বজনীন শাসক।

চেংগিজ খাঁই মঙ্গোলসকলক অধিক শক্তিশালী, সু-শৃংখল সামৰিক শক্তি হিচাপে সু-সংগঠিত কৰিছিল। ইয়াৰ ফলত তেওঁ ভৱিষ্যতৰ অভিযানবোৰত কৃতকাৰ্য হ'বলৈ সক্ষম হৈছিল। চেংগিজ খাঁই বিখ্যাত আৰু শক্তিশালী চীনৰ প্ৰাচীৰ ভাঙি ১২১৫ খ্ৰী.ত পিকিং অৱৰোধ কৰিছিল। চেংগিজ খাঁয়ে চীনৰ বহু অংশ, ট্ৰেন্সচাক্সিয়ানা, আফগানিস্তান, পূব ইৰাণ আৰু ৰুছিয়াৰ ষ্টেপ অঞ্চল আদিলৈকে সাম্ৰাজ্য সম্প্ৰসাৰণ কৰিছিল। উৎৰাৰ, বুখাৰা, চমৰখণ্ড, ব্‌খ, গুৰগঞ্জ, মাঙ, নিচাপুৰ, হিৰাট আদি মহানগৰবোৰে চেংগিজ খাঁৰ সৈন্যৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। চেংগিজ খাঁৰ কৰ্তৃত্ব মানি নোলোৱা দেশবিলাকক জয় কৰাৰ পিছত তেওঁ অসংখ্য লোকক হত্যা কৰিছিল। সিন্ধু নদীৰ পাৰত চেংগিজ খাঁই উত্তৰ ভাৰতৰপৰা অসম হৈ মঙ্গোলীয়ালৈ ঘূৰি যোৱাৰ কথা ভাবিছিল। কিন্তু গৰম, বনৰীয়া জীৱ-জন্তু আক্ৰমণৰ সংকেতে তেওঁক এই পথ বাতিল কৰিবলৈ বাধ্য কৰিছিল।

যোগাযোগৰ দুৰ্বল প্ৰযুক্তি তথা প্ৰাক্ ঔদ্যোগিক যুগত এখন বিশাল সাম্ৰাজ্যৰ শাসন আৰু নিয়ন্ত্ৰণ কৰিছিল চেংগিজ খাঁই। এনে এখন বৃহৎ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা চেংগিজ খাঁৰ ১২২৭ খ্ৰিষ্টাব্দত মৃত্যু হয়। ❑

# কুইজ

■ **ধ্রুৱ শৰ্মা**

১। চিলা উৰুৱাটো কোন দেশৰ জাতীয় উৎসৱ?
২। অস্কাৰ বঁটাৰ বাবে মনোনয়ন লাভ কৰা প্ৰথমখন ভাৰতীয় চলচ্চিত্ৰৰ নাম কি?
৩। অলিম্পিকত সোণৰ পদক লাভ কৰা ভাৰতৰ প্ৰথম খেলুৱৈ কোন?
৪। আটাইতকৈ গধুৰ জুলীয়া পদাৰ্থবিধ কি?
৫। কোনটো গ্ৰুপৰ তেজ থকা মানুহে যিকোনো মানুহক তেজ দান কৰিব পাৰে?
৬। প্ৰথম অসমীয়া ছপা পুথিখনৰ নাম কি?
৭। ‘I Dare’ কোনগৰাকী ব্যক্তিৰ আত্মজীৱনী?
৮। দেৱভাষা বুলিলে ভাৰতৰ কোনটো ভাষাক বুজা যায়।
৯। পৃথিৱীৰ প্ৰাচীনতম লিখিত ভাষাটো কি?
১০। কাক অৰ্থনীতিৰ জনক বোলা হয়?
১১। জাপানৰ জাপানী নাম কি?
১২। ভাৰতীয় ৰিজাৰ্ভ বেংক কোন চনত প্ৰতিষ্ঠা হৈছিল?
১৩। মহিলাসকলক ভোটাধিকাৰ প্ৰদান কৰা বিশ্বৰ প্ৰথমখন দেশৰ নাম কি?
১৪। ‘গোৱেৰ্নিকা’ নামৰ বিখ্যাত ছবিখনৰ চিত্ৰশিল্পী কোন?
১৫। ‘জয়হিন্দ’ শব্দটো কোনে প্ৰচলন কৰিছিল?
১৬। জালিৱানাৱালাবাগ দিৱস বছৰৰ কোনটো তাৰিখত পালন কৰা হয়?
১৭। কাক ‘নিজৰা’ৰ কবি বোলা হয়?
১৮। ৰজনীকান্ত বৰদলৈৰ ছদ্মনামটো কি আছিল?
১৯। ‘গজপতি’ উপাধি লোৱা আহোম ৰজাজনৰ নাম কি?
২০। ‘জয় জোৱান জয় কিষাণ’ কোনজন প্ৰধান মন্ত্ৰীৰ দিনৰ শ্লোগান আছিল? ❑

## তোমালোকৰ বাবে প্ৰশ্ন

১। কাছৰ দাঁতৰ সংখ্যা কিমান?
২। মানুহৰ দেহৰ আটাইতকৈ দীঘল হাড়ডালৰ নাম কি?
৩। পৃথিৱীৰ আটাইতকৈ দীৰ্ঘতম কবিতা (কাব্য) পুথিখনৰ নাম কি?
৪। কাউৰী নথকা দেশখনৰ নাম কি?
৫। ‘Book of the Books’ বুলি কোনখন গ্ৰন্থক কোৱা হয়?

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ ছেপ্টেম্বৰ তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **‘অন্বেষণ’** এই ঠিকনালৈ পঠিয়াবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ’ব।)*

## কুইজৰ উত্তৰসমূহ

১। চীন ২। মাদাৰ ইণ্ডিয়া (১৯৫৭) ৩। অভিনৱ বিন্দ্ৰা ৪। পাৰা ৫। অ’ (O) গ্ৰুপ ৬। ধৰ্মপুস্তক (১৮১৩ চন) ৭। কিৰণ বেদী ৮। সংস্কৃত ৯। ছুমেৰীয় ১০। আডাম স্মিথ ১১। নিপ্পন (সূৰ্য উদয়ৰ দেশ) ১২। ১৯৩৫ চন ১৩। নিউজিলেণ্ড (১৮৯৩) ১৪। পাবলো পিকাছো (১৯৩৭) ১৫। সুভাষ চন্দ্ৰ বসু ১৬। ১৩ এপ্ৰিল ১৭। শৈলধৰ ৰাজখোৱা ১৮। ভোলাই শৰ্মা ১৯। প্ৰতাপ সিংহ ২০। লাল বাহাদুৰ শাস্ত্ৰী।

# নীল নদী

■ চন্দনা ডেকা



পৃথিৱীৰ আটাইতকৈ দীঘল নদীখন হৈছে নীল নদী। এই নদী আফ্ৰিকা মহাদেশত অৱস্থিত। এই নদীখনৰ নামটো গ্ৰীক ভাষাৰ 'Neilos' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে 'Valley' (উপত্যকা)। নীল নদী দীঘলে প্ৰায় ৬,৮৫০ কিমি. (৪২৫৮ মাইল) আৰু পথালিয়ে ২.৮ কিমি.লৈকে (২ মাইল) বিস্তৃত। ই আলেকজেণ্ড্ৰিয়াৰ (Alexandria) ওচৰৰ ভূমধ্য সাগৰত গৈ মিলিত হৈছে। নীল নদীখন এৰিট্ৰিয়া (Eritria), ইথিঅʼপিয়া (Ethiopia), চুডান (Sudan), ইজিপ্ত (Egypt), ইউগাণ্ডা (Uganda), কেনিয়া (Kenya), তানজানিয়া (Tanzania), ৰুৱাণ্ডা (Rwanda), বুৰুণ্ডি (Burundi), দক্ষিণ চুডান (South Sudan), কংগো গণতান্ত্ৰিক গণৰাজ্য (The Democratic Republic of the Congo) আদি দেশ আৰু কেইখনমান বিখ্যাত চহৰ যেনে—জিনিয়া (Jinya), জুবা (Juba), খাৰটুম (Khartoum) কাইৰʼ (Cairo) আদিৰ মাজেৰে বৈ গৈছে।

নীল নদী হৈছে এখন আন্তঃৰাষ্ট্ৰীয় নদী। এই নদীৰ জলসম্পদবোৰ ওপৰত উল্লেখ কৰা এঘাৰখন দেশে ব্যৱহাৰ কৰে। বিশেষভাৱে ইজিপ্ত আৰু চুডানৰ পানীৰ মূল উৎস হৈছে এই নীল নদীখন। নীল নদীৰ শাখা দুটা—দ্যা হোৱাইট নীল আৰু দ্যা ব্লু নীল। দ্যা হ্যোৱাইট নীলকেই নীল নদীৰ প্ৰধান আৰু মূল শাখা বুলি গণ্য কৰা হয় যদিও বেছিভাগ পানী আৰু সাৰুৱা মাটিৰ উৎস হৈছে দ্যা ব্লু নীল। দ্যা হ্যোৱাইট নীল ব্লু নীলতকৈ জোখত দীঘল আৰু মূল আফ্ৰিকাৰ গ্ৰেট হ্ৰদৰ (Great Lakes) পৰা সৃষ্টি হোৱা। ই দক্ষিণৰ ফালে ভিক্টʼৰিয়া হ্ৰদ (Lakes Victoria), ইউগাণ্ডা (Uganda), তানজানিয়া (Tanzania) আদি ঠাইৰ মাজেৰে বৈ গৈছে। আকৌ দ্যা ব্লু নীলৰ সৃষ্টি হৈছে ইথিঅʼপিয়াৰ (Ethiopia) টানা হ্ৰদৰ (Tana Lakes) পৰা আৰু ই দক্ষিণ-পূব দিশৰপৰা চুডানলৈ (Sudan) বৈ গৈছে। এই দুখন নদী খাৰটুমৰ (Khartoum) ৰাজধানী চুডেনচত (Sudancse) লগ লাগিছে।

পুৰণি কালৰপৰাই মিছৰীয়সকল আৰু চুডেনীয়সকলে নীল নদীৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। খ্ৰি.পূ. ৫০০০ চনতে কৃষিৰ ওপৰত ভিত্তি কৰি আফ্ৰিকাৰ প্ৰথম সভ্যতা এই নদীৰ দক্ষিণে গঢ়ি উঠিছিল। ইজিপ্ত দেশৰ প্ৰায়বোৰ নগৰ-চহৰ নীল নদীৰ পাৰতেই অৱস্থিত। ইজিপ্তৰ শতকৰা ৯৭ ভাগ ঠায়েই মৰুভূমি। সেয়েহে সমগ্ৰ ইজিপ্তবাসী নীল নদীৰ ওপৰতে নিৰ্ভৰশীল। নীল নদীয়েই হৈছে এই দেশৰ মানুহৰ ঘৰুৱা ব্যৱহাৰৰ বাবে প্ৰয়োজন হোৱা বিশুদ্ধ পানী, জলসিঞ্চন আৰু পানীৰ সহায়ত বিদ্যুৎ উৎপাদন কৰাৰ মূল উৎস। সেয়েহে ইজিপ্তক নীল নদীৰ দান (Gift of Neil) বোলা হয়। ❑

# ৰাজ্যিক বাজেট-২০১৪-১৫

■ অপৰ্ণা দেৱী



আমাৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ৰাজ্যৰ বিত্ত বিভাগৰ দায়িত্বত থকা বাবে ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাজেট আগষ্ট মাহৰ ১১ তাৰিখে বিধানসভাত দাখিল কৰে। এইবাৰকে ধৰি সুদীৰ্ঘ চৈধ্য বছৰ ধৰি ৰাজ্যিক বাজেট দাখিল কৰাৰ অভিজ্ঞতা অৰ্জন কৰা গগৈয়ে বাজেটত চলিত বিত্তীয় বৰ্ষৰ বাবে বেছ কিছুসংখ্যক নতুন আঁচনি ঘোষণা কৰিছে। বাজেটত কৰ্ম নিয়োগ, নিযুক্তিকে ধৰি কৌশল উন্নীতকৰণ, মানুহৰ আয় বৃদ্ধিৰ ওপৰত অগ্ৰাধিকাৰ দি মানুহৰ ক্ৰয় ক্ষমতা (Purchasing power) বৃদ্ধিৰ দিশত লৈ যোৱাৰ চেষ্টা কৰাৰ কথা উল্লেখ আছে।

আমাৰ ৰাজ্যত নতুন পুলিচ একাডেমি স্থাপনৰ সিদ্ধান্তৰ কথা যিদৰে বাজেটে আমাক জানিব দিছে, ঠিক সেইদৰে ৰাজ্যখনৰ সকলো থানাতে মহিলা কোষ স্থাপনৰ কথাও আমাক অৱগত কৰাইছে। তদুপৰি কৰ্তব্যৰত আৰক্ষীৰ মৃত্যুত এককালীন সাহায্য ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ আশ্বাস দিছে।

এইবাৰৰ বাজেটত শিক্ষা শিতানত ২০১৪-১৫ বৰ্ষত শিক্ষক-কৰ্মচাৰীৰ ২১ হাজাৰটা পদ প্ৰাদেশীকৰণৰ কথা উল্লেখ কৰিছে। নলবাৰী, নগাঁও আৰু ওদালগুৰিত এখনকৈ নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ লগতে অসম ৰাজ্যিক উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ গঠনৰ সিদ্ধান্তৰ কথা উল্লেখ আছে। বৰপেটাৰ চিকিৎসা মহাবিদ্যালয়তে দন্ত চিকিৎসা মহাবিদ্যালয়ো স্থাপনৰ কথা উল্লেখ কৰা হয়।

২০১৪-১৫ বৰ্ষত ছোৱালীৰ বাবে ৬,৪৮৮টা শৌচাগাৰ-প্ৰস্ৰাৱগাৰ নিৰ্মাণ, গুৱাহাটীত চহৰাঞ্চলৰ ১০ হাজাৰবাসী লোকৰ বাবে গৃহ নিৰ্মাণৰ ব্যৱস্থাৰ কথা সদ্যঘোষিত বাজেটত উল্লেখ আছে।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধি ক্ষেত্ৰৰ বাবে ২ কোটি টকাৰ আবণ্টনৰ লগতে নাৰায়ণপুৰৰ মাধৱদেৱ কলাক্ষেত্ৰৰ বাবেও সেই একে পৰিমাণৰ ধনৰ আবণ্টনৰ কথা বাজেটত পোৱা গৈছে।

গাৰো স্বায়ত্তশাসিত পৰিষদ গঠন, কুমাৰ, সূত, চাহ জনগোষ্ঠী, হাজং সম্প্ৰদায় আৰু অনুসূচিত জাতিৰ বাবে সুকীয়া উন্নয়ন পৰিষদ গঠনৰ কথা বিবেচনা কৰাৰ কথা উল্লেখ আছে।

ৰাজ্যিক বাজেটখনত বৃত্তি কৰ ৰেহাইৰ ন্যূনতম সীমা বছৰি ৪০,০০০ টকাৰপৰা ১.২০ লাখ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে।

গাড়ীৰ বিভিন্ন অংশ, প্ৰাকৃতিক গেছ, ধঁপাত, আমদানিকৃত সামগ্ৰীৰ লগতে বিলাসী গাড়ীৰ দাম বৃদ্ধি হোৱাৰ কথা বাজেটে আমাক জানিবলৈ দিছে। ঠিক সেইদৰে চাইকেলৰ বিভিন্ন অংশ, ফেব্ৰিকেচ্‌ন কৰা ষ্টীলৰ সামগ্ৰী, কেৰাচিনৰ চাকি, লাইট, চিমনি, নবীকৰণযোগ্য শক্তিৰ সামগ্ৰী, ছাত্ৰ-ছাত্ৰীৰ লেখন আহিলা (writing instruments) আদিৰ দাম হ্ৰাস পাব বুলি জনসাধাৰণক বাজেটে আশ্বাস দিছে।

২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাজেটত ৰাজহ শিতানত বিগত বৰ্ষতকৈ এইবাৰ ১,২৪৩.৪৭ কোটি টকা অধিক আদায় দেখুওৱা হৈছে। আমাৰ ৰাজ্যখনৰ মুঠ ৰাহি ৩,৮৬,৭২৭.৩৩ কোটি টকা আৰু মুঠ ব্যয় হৈছে ৩,৮৮,১১৩.১০ কোটি টকা। ফলত মুঠ বাজেট ঘাটি হৈছে ২,৩৫৭.৯১ কোটি টকা। ❑

## কি ক'ত কিয় বিখ্যাত

**বায়ুকল বা উইণ্ডমিল (Windmill) :** উইণ্ডমিল হ'ল বায়ুশক্তিৰদ্বাৰা চলা যন্ত্ৰ বা কল। ইয়াক বায়ুকল বুলিও



কয়। প্ৰায় সকলো সময়তে বেগেৰে (অতি কমেও ঘণ্টাত ১৫ কিল'মিটাৰ) বতাহ বলি থকা অঞ্চলত সাধাৰণতে উইণ্ডমিল স্থাপন কৰা হয়। উইণ্ডমিলত দুখন বা তিনিখন ব্লেড থাকে। এইবোৰ আমি ব্যৱহাৰ কৰা ফেনৰ ব্লেডৰ দৰেই। মাথোঁ আকাৰত এইবোৰ ডাঙৰ আৰু ইয়াক উলম্ব সমতলতহে স্থাপন কৰা হয়। উইণ্ডমিল আৱিষ্কাৰ হয় নেদাৰলেণ্ডত আৰু তাতেই পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি উইণ্ডমিল দেখা যায়। উইণ্ডমিলৰ সহায়ত বিদ্যুৎ উৎপাদন, পানী তোলা বা সিঁচা, ধান-ঘেঁহুৰ কল আদি চলোৱা আদি বিভিন্ন কাম কৰা হয়।

**পঞ্চশীল নীতি :** পঞ্চশীল নীতি হ'ল বৌদ্ধধৰ্মৰ পাঁচটা নীতি। ইয়াত সামাজিক আচৰণ বিধি তথা জীৱন-ধাৰণৰ নৈতিকতাৰ কথা উল্লেখ আছে। এই নীতিকেইটা হ'ল—(১) সকলো জীৱক দয়া কৰা, (২) চৌৰ্য বৃত্তি দমন কৰা, (৩) ভোগ-বাসনা ত্যাগ কৰা, (৪) মিথ্যাচাৰ বাদ দিয়া আৰু (৫) পৰনিন্দা ত্যাগ কৰা। এই পঞ্চশীল নীতিকেই ভাৰতৰ আন্তঃৰ্জাতিক শান্তি আৰু সহাৱস্থানৰ নীতিৰ ভিত্তি বুলি ক'ব পৰা যায়। ১৯৫৪ চনৰ ২৯ এপ্ৰিলত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে চীনৰ প্ৰধানমন্ত্ৰী চৌ-এন লাইৰ লগত এখন চুক্তিপত্ৰত স্বাক্ষৰ কৰে। এই চুক্তিপত্ৰত দুয়োখন দেশে কেইটামান আন্তঃৰ্জাতিক শান্তি আৰু সহাৱস্থানৰ নীতি মানি চলিবলৈ চুক্তিবদ্ধ হৈছিল। এই নীতিকেইটা হ'ল—(১) প্ৰত্যেক ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বক সন্মান কৰা, (২) আনক আক্ৰমণ নকৰা, (৩) আন দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা, (৪) ক্ষমতা আৰু পাৰস্পৰিক সহায়-সমৰ্থন কৰা আৰু (৫) শান্তিপূৰ্ণ সহাৱস্থান কৰা আৰু অৰ্থনৈতিক তথা ৰাজনৈতিক সহযোগিতা বৃদ্ধি কৰা।

**আৰ্কিমিডিছৰ মৃত্যু ৰশ্মি :** আৰ্কিমিডিছ আছিল অতি প্ৰতিভাধৰ গ্ৰীক গণিতজ্ঞ আৰু বিজ্ঞানী। গ্ৰীচৰ চাইৰাকিউজৰ বাসিন্দা এইগৰাকী বিজ্ঞানী আছিল ৰজা হিয়েৰোৰ প্ৰিয়পাত্ৰ। এবাৰ ৰোমানসকলে এক বিশাল নৌবাহিনী লৈ চাইৰাকিউজ আক্ৰমণ কৰিবলৈ আহিছিল। ৰোমানসকলৰ সন্মুখীন হোৱাৰ ক্ষমতা হিয়োৰোৰ নাছিল। সেয়েহে সহায়ৰ বাবে তেওঁ আৰ্কিমিডিছক মাতিলে। আৰ্কিমিডিছে ডাঙৰ ডাঙৰ অৱতল দাপোনৰ সহায়ত সূৰ্যৰ ৰশ্মিক কেন্দ্ৰীভূত কৰি ৰোমান জাহাজবোৰত পেলাইছিল। ফলত জাহাজবিলাক সেই ৰশ্মিৰ অতিশয় উত্তাপত ভস্মীভূত হৈছিল। এই ৰশ্মিকেই পাছলৈ আৰ্কিমিডিছৰ মৃত্যু ৰশ্মি বোলা হয়।

**বাৰ্মুদা :** বাৰ্মুদা এক ধৰণৰ চুটি পেণ্ট। বাৰ্মুদা নামৰ ঠাইখনৰ পৰাই বাৰ্মুদা পেণ্টৰ নামটো আহিছে। বাৰ্মুদাকে ধৰি গ্ৰীষ্মপ্ৰধান অঞ্চলবোৰত চাকৰি কৰা ব্ৰিটিছ সামৰিক



বাহিনীৰ বিষয়াসকলে বাৰ্মুদা পেণ্টৰ সৃষ্টি কৰিছিল। এয়া প্ৰথম বিশ্বযুদ্ধৰ সময়ৰ ঘটনা। তীব্ৰ গৰমৰপৰা ৰক্ষা পাবলৈ ব্ৰিটিছ সেনা বিষয়াবোৰে তেওঁলোকৰ দীঘল পেণ্টবোৰ কাটি হাফপেণ্টৰ দৰে চুটি কৰি লৈছিল। তাকে দেখি বাৰ্মুদাৰ স্থানীয় মানুহবোৰে এই পেণ্ট ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু এনেদৰে ব্ৰিটিছসকলৰ জৰিয়তে সমগ্ৰ পৃথিৱীতে ইয়াৰ প্ৰচলন হ'ল। ❑

**■ সংগ্ৰহ : প্ৰাঞ্জল তালুকদাৰ**

# সাতসৰী অসম বুৰঞ্জী

■ সুদীপ্তা চৌধুৰী

সূৰ্যকুমাৰ ভূঞাৰদ্বাৰা সম্পাদিত 'সাতসৰী অসম বুৰঞ্জী'ত মূল সাতখন বুৰঞ্জীৰ ঘটনাৱলী আৰু বিষয়বস্তু সন্নিবিষ্ট কৰা হৈছে। পূৰ্বতে প্ৰকাশ হোৱা কেইবাখনো বুৰঞ্জীক 'অসম বুৰঞ্জী' নাম দিয়া হৈছিল বাবে একে নামেৰে অভিহিত কৰিলে বুজিবলৈ অসুবিধা হ'ব বুলি ভাবি সম্পাদকে 'সাতসৰী অসম বুৰঞ্জী' নাম দিছে। অসমীয়াত ৰত্ন, মুকুতা আৰু সোণৰ মণিৰ সাতডাল সূতাৰে তৈয়াৰী ডিঙিৰ অলংকাৰক সাতসৰী বোলে। সেইকাৰণে 'সাতসৰী অসম বুৰঞ্জী' এই নামটোৰে বুজায়—অসমৰ সাতখন ইতিহাসৰ সংগ্ৰহ য'ত লিপিবদ্ধ হৈ আছে দেশখনৰ অতীত বুৰঞ্জীৰ মূল্যবান তথ্য। উল্লেখযোগ্য যে, সাতসৰী অসম বুৰঞ্জীৰ অন্তৰ্গত প্ৰত্যেকখন বুৰঞ্জীৰ সুকীয়া নাম নিদি প্ৰথমখন বুৰঞ্জী, দ্বিতীয়খন বুৰঞ্জী, তৃতীয়খন বুৰঞ্জী এনেদৰে আখ্যা দিয়া হৈছে। তলত বুৰঞ্জীখনৰ বিষয়বস্তু সম্পৰ্কে চমু আলোচনা দাঙি ধৰা হ'ল—

**প্ৰথম বুৰঞ্জী (খুনলুং-খুনলাইৰপৰা অৰ্জুন দিহিঙ্গীয়া ৰজালৈ) :** দেৱৰাজ ইন্দ্ৰৰ দুই নাতি খুনলুং আৰু খুনলাই সোণৰ জখলাৰে পৃথিৱীলৈ নামি অহাৰে পৰা এইখন বুৰঞ্জী আৰম্ভ হৈছে। চুকাফাই ককায়েকক ৰাজ্য এৰি অসম প্ৰৱেশ কৰা আৰু আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বহুল বৰ্ণনা বুৰঞ্জীখনত পোৱা যায়। (এই বুৰঞ্জী পুথিখন সম্পাদকে শিৱসাগৰৰ চুণপোৰাৰ জয়চন্দ্ৰ বৰগোহাঁইৰ হাতৰপৰা উদ্ধাৰ কৰিছিল)।

**দ্বিতীয় বুৰঞ্জী (আদিৰজা স্বৰ্গনাৰায়ণৰপৰা ওপৰজনা দিহিঙ্গীয়া ৰজালৈ) :** ককায়েকক ৰজা হ'বলৈ দি চুকাফা ভটিয়াই আহি নগাৰ লগত যুদ্ধত লিপ্ত হ'ল আৰু স-সৈন্যে আগুৱাই আহি অসমত ৰাজ্য প্ৰতিষ্ঠা কৰালৈকে এইখন বুৰঞ্জীত পোৱা যায়। তদুপৰি চুকাফাৰ পাছৰ ৰজাসকলৰ সৈতে কমতা ৰজাৰ মিত্ৰতা আৰু ওপৰজনা দিহিঙ্গীয়া ৰজাৰ দিনত আহোম চুটীয়াৰ সংঘাতলৈ এইখন বুৰঞ্জীয়ে সামৰি লৈছে। (সম্পাদকে এইখন বুৰঞ্জী গোলাঘাটৰ ভদ্ৰকান্ত গগৈৰপৰা লাভ কৰিছিল)

**তৃতীয় বুৰঞ্জী (ওপৰজনা দিহিঙ্গীয়া ৰজাৰপৰা প্ৰমত্তসিংহ স্বৰ্গদেউলৈ) :** ওপৰজনা দিহিঙ্গীয়া ৰজাৰ কুঁৱৰী এগৰাকীক নগাৰ খুনবাও ফৈদৰ মুখিয়াল এটালৈ বিয়া দিয়া আৰু সেই কুঁৱৰীগৰাকীৰ গৰ্ভত তথা দিহিঙ্গীয়া ৰজাৰ ঔৰযত নগাৰ ঘৰত কনচেং বৰপাত্ৰ গোহাঁইৰ জন্মৰ বৰ্ণনাৰে এইখন বুৰঞ্জী আৰম্ভ হৈছে। ইয়াৰ পিছত কোচ সেনাপতি চিলাৰায়ৰ লগত আহোমৰ যুদ্ধ আৰু যুদ্ধত আহোমৰ পৰাজয়, কছাৰীৰ সৈতে মিত্ৰতা, ইটাখুলিৰ যুদ্ধ আদিৰ বৰ্ণনা এই বুৰঞ্জীত পোৱা যায়। গদাধৰ সিংহৰ ৰাজত্বকাল আৰু ৰুদ্ৰসিংহৰদ্বাৰা ৰংপুৰ নগৰ প্ৰতিষ্ঠা আদি আহোম যুগৰ অনেক উল্লেখনীয় ঘটনা-পৰিঘটনাৰ বৰ্ণনাৰেও এইখন বুৰঞ্জী সমৃদ্ধ। (সম্পাদকে মাজুলীৰ শ্ৰীশ্ৰী বেঙেনা আটিৰ সত্ৰৰ অধিকাৰৰপৰা পুথিখন সংগ্ৰহ কৰিছিল)

**চতুৰ্থ বুৰঞ্জী (ওপৰজনা দিহিঙ্গীয়া ৰজাৰপৰা গৌৰীনাথ সিংহ স্বৰ্গদেউলৈ) :** ওপৰজনা দিহিঙ্গীয়া ৰজাৰদ্বাৰা চুটিয়া আৰু ভুঞাসকলক দমন কৰাৰেপৰা এইখন বুৰঞ্জী আৰম্ভ হৈ গৌৰীনাথ সিংহৰ ৰাজত্বকালত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ বৰ্ণনাৰে সামৰণি পৰিছে। এইখন বুৰঞ্জীয়ে স্বৰ্গদেউ প্ৰতাপ সিংহ, জয়ধ্বজ সিংহ, গদাধৰ সিংহ, ৰুদ্ৰ সিংহকে আদি কৰি আহোম যুগৰ উল্লেখনীয় স্বৰ্গদেউসকলৰ ৰাজত্ব কালৰ অনেক ঘটনা সামৰি লৈছে। (এইখন বুৰঞ্জী সম্পাদকে বৰপেটা ন-সত্ৰৰ জয়ন্তী প্ৰিয়া দেৱী মেধিয়নিৰ হাতত পোৱা)

**পঞ্চম বুৰঞ্জী (স্বৰ্গদেউ জয়ধ্বজ সিংহ আৰু স্বৰ্গদেউ চক্ৰধ্বজ সিংহ) :** এইখন বুৰঞ্জী আহোম-মোগলৰ সন্ধি আৰু জয়ধ্বজ সিংহৰ মৃত্যু, চক্ৰধ্বজ সিংহৰ সিংহাসন

আৰোহণ আৰু লাচিত বৰফুকনৰ নেতৃত্বত ইটাখুলিৰ যুদ্ধত আহোমৰ জয় আৰু গুৱাহাটী পুনৰ উদ্ধাৰ এইখিনি বৰ্ণনাৰেই সমৃদ্ধ। (সম্পাদকে এইখন নগাঁও-যোৰহাটৰ উমানাথ গোহাঁইৰপৰা পোৱা বুৰঞ্জী পুথি)

**ষষ্ঠ বুৰঞ্জী (স্বৰ্গদেউ কমলেশ্বৰ সিংহৰপৰা পুৰন্দৰ সিংহলৈ) :** এইখন নগাঁও-যোৰহাটৰ উমানাথ গোহাঁইৰপৰা পোৱা, গোপাল চন্দ্ৰ বৰুৱাই কৰা আহোম বুৰঞ্জী এছোৱাৰ ইংৰাজী ভাঙনিৰপৰা সম্পাদকৰদ্বাৰা অসমীয়ালৈ অনূদিত। মটকৰ সৈতে আহোমৰ ৰণ আৰু আহোমৰ জয়, কমলেশ্বৰ সিংহৰ পাছত ভায়েক চন্দ্ৰকান্ত সিংহৰ সিংহাসন আৰোহণ আদি ঘটনা এই খণ্ডত সন্নিৱিষ্ট আছে। বৰফুকনৰদ্বাৰা মান সেনাৰ অসম প্ৰৱেশ, বদনচন্দ্ৰৰ হত্যা, ৰুচিনাথৰদ্বাৰা পুৰন্দৰৰ সিংহাসন লাভ আৰু মানৰ পুনৰ অসম আক্ৰমণ আদি এই বুৰঞ্জীৰ অন্যতম উল্লেখযোগ্য ঘটনা। ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহযোগত মানক দমন আৰু আহোম ৰাজ্য ব্ৰিটিছৰ কৰতলীয়া হোৱা আদি অনেক উল্লেখনীয় ঘটনাৰ বিস্তৃত বিৱৰণ এই বুৰঞ্জীত পোৱা যায়।

**সপ্তম বুৰঞ্জী (আহোমৰ দিনৰ বিষয়াসকলৰ নিবন্ধ) :** সাতসৰী অসম বুৰঞ্জীৰ একেবাৰে শেষৰখন বুৰঞ্জীত আহোম ৰাজসভাৰ বিভিন্ন নিয়ম আৰু পদমৰ্যাদা সম্পৰ্কে বৰ্ণনা আছে। বিশেষকৈ ডাঙৰীয়াসকলে নগৰ প্ৰৱেশ কৰাৰ নিয়ম, ডাঙৰীয়াসকল ৰজা চাঙলৈ যোৱা নিয়ম, বৰচ'ৰাত বহাৰ নিয়ম, অপৰাধীক শাস্তি দিয়াৰ নিয়ম, ডাঙৰীয়াসকলৰ সৈতে ৰাস্তাত দেখা-দেখি হ'লে পালন কৰিব লগা নিয়ম আদিৰ বৰ্ণনাৰে এইখন বুৰঞ্জী পৰিপূৰ্ণ। (সম্পাদকে এইখন নগাঁও মৰিগাঁৱৰ আনন্দিৰাম গোহাঁইৰপৰা পোৱা বুৰঞ্জী পুথি)। ❑

# স্বাধীনতা আন্দোলনত অসমৰ কিছু উল্লেখযোগ্য অৱদান

■ সোণালী গগৈ

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ বিভিন্ন ব্যক্তি আৰু সংগঠনে যথেষ্ট অবদান আগবঢ়াইছিল। এনে সংগঠনৰ ভিতৰত অসম এছ'চিয়েচন, অসম ছাত্ৰ সন্মিলন, আহোম এছ'চিয়েচন আদি সংগঠনসমূহ উল্লেখযোগ্য।

**অসম এছ'চিয়েচন :** ১৯০৩ চনত মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, প্ৰভাত চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ফৈজনুৰ আলি আদি ব্যক্তিৰ উদ্যোগত প্ৰতিষ্ঠা হৈছিল অসম এছ'চিয়েচন বা আসাম এছ'চিয়েচন। এই সংগঠনে অসম আৰু অসমীয়াৰ স্বাৰ্থত বিভিন্ন দাবীসমূহ সাংবিধানিক উপায়েৰে মীমাংসাৰ বাবে ইংৰাজ চৰকাৰক দাবী জনাইছিল। প্ৰথম অৱস্থাত অসম এছ'চিয়েচনে কিছু এৰা-ধৰা কৰিছিল যদিও ১৯১৭ চনৰপৰা সম্পূৰ্ণৰূপে ব্ৰিটিছৰ বিৰোধিতা কৰে। বিভিন্ন সময়ত তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰকান্ত শৰ্মা, গোপীনাথ বৰদলৈ, ৰোহিণী কুমাৰ চৌধুৰী, বিষ্ণুৰাম মেধি, ফৈজনুৰ আলি, কুলধৰ চলিহা, পদ্মধৰ চলিহা, বিদ্যাধৰ শৰ্মা, যোগেন্দ্ৰ নাথ বৰুৱা আদি ব্যক্তিসকলে এই সংগঠনৰ নেতৃত্ব লয়। অসমৰ স্বাৰ্থৰ বিপৰীতে যোৱা কোনো সিদ্ধান্তক অসম এছ'চিয়েচনে মানি লোৱা নাছিল। বৰঞ্চ তাৰ তীব্ৰ সমালোচনা আৰু প্ৰতিবাদ কৰি ব্ৰিটিছক বিবুধিত পেলাইছিল। ফলস্বৰূপে, অসমে স্বায়ত্ত শাসন লাভ কৰে, অসম গৱৰ্ণৰৰদ্বাৰা শাসন কৰা প্ৰদেশলৈ ৰূপান্তৰিত হয় আৰু ১৯২০ চনত অসম প্ৰদেশ কংগ্ৰেছৰ লগত মিলিত হৈ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ হৈ অংশগ্ৰহণ কৰে।

**অসম ছাত্ৰ সন্মিলন** : ইংৰাজসকলে আগবঢ়োৱা শিক্ষা ব্যৱস্থাৰে ভাৰতৰ প্ৰায় সকলো প্ৰদেশৰ ছাত্ৰসকল কম-বেছি পৰিমাণে উপকৃত হৈছিল। সেয়ে সকলো ছাত্ৰই ব্ৰিটিছৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি প্ৰথম অৱস্থাত আন্দোলনৰ পৰা বিৰত আছিল। ঠিক সেই সময়তে আকৌ অসমৰ ছাত্ৰসকলৰ কাৰ্যপন্থা ওলোটা আছিল। অৰ্থাৎ অসমৰ ছাত্ৰসকলে মিলিত হৈ 'অসম ছাত্ৰ সন্মিলন' নামেৰে এক সংগঠন খুলি অসমৰ স্বাধীনতা সংগ্ৰামত উল্লেখযোগ্য ভূমিকা লৈছিল। ইয়াৰ নেতৃত্ব লৈছিল অসমৰে সুযোগ্য সন্তান তথা সু-সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাই। ১৯০৬ চনত গঠিত হোৱা এই সংগঠনটো প্ৰথমে অৰাজনৈতিক আছিল যদিও অসহযোগ আন্দোলনত স্কুল-কলেজ বৰ্জন কৰি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অসমৰ হৈ স্বাধীনতা আন্দোলনত বৰঙণি যোগোৱা এই সংগঠনটোৰ আন কেইজনমান উল্লেখযোগ্য ব্যক্তি আছিল পি.চি.ৰয়, নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, চন্দ্ৰনাথ শৰ্মা, দেবীচৰণ বৰুৱা, ছৈয়দ ছাদুল্লা, মহম্মদ তৈয়বুল্লা আদি।

**কানিংহাম চাৰ্কুলাৰ** : ১৯২০-২১ চনৰ অসহযোগ আন্দোলনত ছাত্ৰসকলে লোৱা সক্ৰিয় অংশগ্ৰহণে ব্ৰিটিছ শিক্ষাধিকাৰীসকলক ভবাই তুলিছিল। সেয়ে ১৯৩০ চনৰ মহাত্মা গান্ধীৰ আহ্বানত কৰা আইন অমান্য আন্দোলনত ছাত্ৰসকলে পুনৰ অংশগ্ৰহণ কৰাৰ ভয়ত ইংৰাজসকল কঁপি উঠিছিল। অসমৰ ছাত্ৰ সমাজে পুনৰ যাতে আন্দোলনত অংশগ্ৰহণ কৰিব নোৱাৰে তাৰ বাবে ইংৰাজ শিক্ষাধিকাৰীসকলে এক ব্যৱস্থা হাতত লৈছিল। সেই সময়ৰ অসমৰ শিক্ষাধিকৰ্তা কানিংহামে এখন চাৰ্কুলাৰ জাৰি কৰিছিল। এই চাৰ্কুলাৰখনৰ মতে কোনো শিক্ষাৰ্থীয়ে কোনো ৰাজনৈতিক আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰিব আৰু অনুশাসন মানি চলিব লাগিব। এই কথাখিনি অভিভাৱকসকলে এখন প্ৰতিশ্ৰুতি পত্ৰত স্বাক্ষৰ কৰি দিব লাগিছিল। এইখনেই আছিল বিখ্যাত কানিংহাম চাৰ্কুলাৰ। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত নমা ছাত্ৰসকলৰ এই প্ৰতিবাদৰ ঢৌ সমসাময়িক আইন অমান্য আন্দোলনৰ ঢৌৰ লগত একাকাৰ হৈছিল। ফলত অসমত বেলেগকৈ আইন অমান্য নকৰিলেও ছাত্ৰসকলে এই চাৰ্কুলাৰ অমান্য কৰা কাৰ্যই আছিল মূলতঃ আইন অমান্য আন্দোলন। সেয়ে বহুতে ইয়াক অসমৰ ছাত্ৰ আন্দোলন বুলিও ক'ব খোজে।

**ভাৰত ত্যাগ আন্দোলন** : দ্বিতীয় বিশ্বযুদ্ধত ভাৰতবৰ্ষৰ পূৰ্ণ সহযোগিতা কামনা কৰি ব্ৰিটিছ চৰকাৰে ষ্টাফৰ্ড ক্ৰিপচক ভাৰতলৈ পঠিয়ায়। কিন্তু ভাৰতীয় নেতৃবৃন্দৰ লগত ক্ৰিপচৰ আলোচনা ব্যৰ্থ হয়। এয়ে ক্ৰিপচ মিছন। ক্ৰিপচ মিচন ব্যৰ্থ হোৱাৰ লগে লগে ভাৰতীয় নেতৃবৃন্দই 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ লয়। সেই মৰ্মে, অসমৰ নেতৃবৃন্দইও 'কৰিম কিম্বা মৰিম' বাণীৰে অংশগ্ৰহণ কৰে। অসম প্ৰাদেশিক কংগ্ৰেছ পুনৰ উজ্জীৱিত হৈ উঠে। মহম্মদ তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমেদ, বিষ্ণুৰাম মেধি, দেৱেশ্বৰ শৰ্মা, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মাক পুলিচে গ্ৰেপ্তাৰ কৰে। নতুনকৈ নেতৃত্ব লয় হেমচন্দ্ৰ বৰুৱা, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ৰবীন্দ্ৰনাথ নবীচ আদি ব্যক্তিসকলে।

এই আন্দোলনত বিভিন্ন ঠাইত বিভিন্ন নেতাই নেতৃত্ব প্ৰদান কৰিছিল। তেওঁলোকৰ ভিতৰত সৰভোগৰ বজ্ৰনাথ শৰ্মা আৰু মহেন্দ্ৰ মোহন চৌধুৰী, বজালীৰ চন্দ্ৰপ্ৰভা শইকীয়ানী, হাজোৰ উপেন্দ্ৰ চন্দ্ৰ শৰ্মা, শিৱসাগৰৰ শংকৰ বৰুৱা আদি অন্যতম। এই আন্দোলনত বজালীৰ মদন চন্দ্ৰ বৰ্মন আৰু ৰাওতা কোচ, বেবেজিয়াৰ বলাই কোচ আৰু হেমৰাম বৰা, জোঙাল বলহুগড়ৰ হেমৰাম পাটৰ আৰু গুণাভি বৰদলৈ আদিয়ে প্ৰাণ হেৰুৱায়। নগাঁৱত শ্বহীদৰ ৰাজহুৱা শ্ৰাদ্ধত ভোগেশ্বৰী ফুকননী, ঠগিৰাম সুত, বলোৰাম সুত আদিয়ে প্ৰাণত্যাগ কৰিছিল। গহপুৰৰ কনকলতা বৰুৱা, মকুন্দ কাকতি আদি শ্বহীদেও এই আন্দোলনতেই প্ৰাণ হেৰুৱাইছিল। ❑

## সঘনাই মনলৈ অহা প্ৰশ্ন

- **সপ্তাহটোৰ বাৰবোৰৰ নামবোৰ ক'ৰপৰা লোৱা হৈছে?**

☞ ৰোমান আৰু চেক্সনসকলৰ কেলেণ্ডাৰ গঠনত বিশেষ ভূমিকা আছে। আমি যাক ইংৰাজী কেলেণ্ডাৰ বুলি কওঁ এই কেলেণ্ডাৰখন আচলতে ৰোমানসকলেহে উদ্ভাৱন কৰিছিল। ইংৰাজসকলে এই কেলেণ্ডাৰখন উদ্ভাৱনৰ প্ৰায় এশ বছৰ পিছতহে গ্ৰহণ কৰিছিল। সেয়েহে বছৰটোৰ মাহ, বাৰ ইত্যাদিৰ নামবোৰত ৰোমান, চেক্সন বা টিউটন (এইবোৰ প্ৰাচীন ৰোম সাম্ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় আৰু ভাষাগোষ্ঠীয় ভাগ)সকলৰ সংস্কৃতিৰ প্ৰভাৱ পৰা দেখা যায়।

'Sun day' নামটো আহিছে 'Sun's day' বাক্যাংশৰপৰা। টিউটনসকলৰ বাবে এই 'Sun's day' বৰ পবিত্ৰ দিন। এংলো-চেক্সনসকলৰ ভাষাত 'Mouandaeg' শব্দৰ অৰ্থ হ'ল 'Mon's day'। ইয়াৰপৰাই Monday শব্দটোৰ উৎপত্তি হৈছে। টিউটনসকলৰ এজন উপাস্য দেৱতা হ'ল টিউ (Tiw)। এইজনা দেৱতাৰ সন্মানাৰ্থে সপ্তাহটোৰ তৃতীয় দিনটোৰ নাম 'Tuesday' ৰখা হৈছে। টিউটনসকলৰ মূল উপাস্য দেবতা (Woden) ৱ'ডেনৰ নামেৰে 'Wednessday' নামটো ৰখা হৈছে। ৱ'ডেনৰ পুত্ৰ থ'ৰৰ (Thor) নামেৰে পৰৱৰ্তী দিনটোৰ নাম 'Thursday' ৰখা হৈছে। ৱ'ডেনৰ পত্নীৰ নাম হ'ল ফ্ৰিগ (Frigg), তেওঁৰ নামেৰে 'Frig-daeg' অৰ্থাৎ Friday নামটো ৰখা হৈছে। ৰোমানসকলৰ উপাস্য দেবতা চেটাৰ্ণৰ (Saturn) নামেৰে সপ্তাহটোৰ অন্তিমটো বাৰৰ নাম 'Saturday' ৰখা হৈছে।

- **চিডি এখনৰ ওপৰত ৰামধেনুৰ সাতোটা ৰং দেখা যায় কিয়?**

☞ চিডি এখনত এটা এলুমিনিয়ামৰ তৰপৰ দুয়োফালে প্লাষ্টিকৰ দুটা তৰপ থাকে। এই এলুমিনিয়ামৰ তৰপটোৰ ঐককেন্দ্ৰিকভাৱে কিছু ওখ আৰু নিম্ন অঞ্চল থাকে। যেতিয়া এই আকৃতিবোৰৰ ওপৰত সূৰ্যৰ পোহৰ পৰে, এই পোহৰ বিভিন্ন দিশত বিক্ষেপিত হয়। এই বিক্ষেপিত পোহৰৰ তৰংগবোৰ বিভিন্ন উচ্চতাৰ সমতলত পৰস্পৰে মিলিত হয়। সূৰ্যৰ পোহৰ বিভিন্ন তৰংগদৈৰ্ঘ্যৰ পোহৰৰ তৰংগৰ সমষ্টি। বিক্ষেপিত পোহৰৰ তৰংগবোৰৰ কেতিয়াবা একে তৰংগদৈৰ্ঘ্যৰ পোহৰবোৰ চিডিখনৰ ওপৰৰ কিছুমান অঞ্চলত লগ লাগে। তেতিয়া সেই অঞ্চলটো আন অঞ্চলতকৈ উজ্জ্বল হয়। সেই বিশেষ তৰংগদৈৰ্ঘ্যৰ ৰংটোৰে উজ্জ্বল হৈ উঠে। যিহেতু চিডিখনত পোহৰ বিক্ষেপিত কৰিব পৰা বহু বৃত্তাকাৰ অংশ থাকে সেয়েহে সূৰ্যৰ আটাইকেইটা ৰং বিভিন্ন ঠাইত দৃশ্যমান হৈ পৰে।

- **ভেকুলীয়ে কেনেদৰে টোৰটোৰায়?**


☞ ভেকুলীবোৰে শব্দ কৰাৰ সময়ত বেছি পৰিমাণৰ বায়ু মুখৰ ভিতৰলৈ সুমুৱাই লয়। এই বায়ুখিনি সুমুৱাই লোৱাৰ পিছত নাকৰ ফুটাটো আৰু মুখখন বন্ধ কৰি লয়। তাৰ পিছত বায়ুখিনি মুখ আৰু হাঁওফাঁওৰ মাজত অনা-নিয়া কৰি থাকে। ভেকুলীৰ মুখ আৰু হাঁওফাঁওৰ মাজত এখন পৰ্দা (Focal cord) থাকে। বায়ুখিনি যেতিয়া ভেকুলীৰ মুখ আৰু হাঁওফাঁওৰ মাজত অহা-যোৱা কৰি থাকে তেতিয়া এই পৰ্দাখন কঁপি উঠে আৰু শব্দ হয়। ইয়াক আমি টোৰটোৰনি বুলি কওঁ। কিছুমান ভেকুলীৰ মুখৰ ভিতৰফালে কিছুমান মোনা থাকে। টোৰটোৰাবৰ সময়ত ভেকুলীটোৱে এই মোনাবোৰ বায়ুৰে পূৰ্ণ কৰি লয়। এই মোনাবোৰত হোৱা অনুনাদৰ (শব্দ তৰংগৰ এক প্ৰক্ৰিয়া) বাবে টোৰটোৰনি আৰু বেছি ডাঙৰকৈ শুনা যায়। অবিশ্বাস্য যেন লাগিলেও সত্য যে আমেৰিকাত পোৱা বুল ডগ (Bull dog) নামৰ ভেকুলীৰ টোৰটোৰনি এক কিল'মিটাৰতকৈও অধিক দূৰৰপৰা শুনা যায়। ❑

# কমনৱেল্‌থ গেম্‌চ, গ্লাছগ', ২০১৪ত সোণৰ পদক লাভ কৰা খেলুৱৈসকল


অভিনৱ বিন্দ্ৰা: শ্যুটিং


দীপিকা পাল্লিকাল আৰু জ্যোৎস্না চিনাপ্পা: স্কোৱাছ


অমিত কুমাৰ: মল্লযুঁজ


ৱিনেশ ভগত: মল্লযুঁজ


সুশীল কুমাৰ: মল্লযুঁজ


সতীশ শিৱলিংগম: ভাৰোত্তোলন


সঞ্জীতা খুমুকসান: ভাৰোত্তোলন


সুখেন দে: ভাৰোত্তোলন


ৰাহি সৰ্ণাৱত: শ্যুটিং


যোগেশ্বৰ দত্ত: ভাৰোত্তোলন


বিকাশ গৌড়া: এথ্‌লেটিক্‌ছ


ববিতা কুমাৰী: মল্লযুঁজ


পাৰুপলী কাশ্যপ: বেডমিন্টন


জিতু ৰায়: শ্যুটিং


অপূৰ্বী চন্দেলা: শ্যুটিং

# এছিয়া মহাদেশৰ কেইখনমান দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



আফগানিস্তান




ভাৰত



মঙ্গোলিয়া



ভূটান



বাহৰেইণ



বাংলাদেশ



চীন




ইণ্ডোনেছিয়া



ইৰাণ




ইজৰাইল




দক্ষিণ কোৰিয়া



শ্ৰীলংকা



পাকিস্তান



কুৱেইট



থাইলেণ্ড



উত্তৰ কোৰিয়া